20/4/90

REFERENCE
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

SEVENTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( BUDGET SESSION )

## VOL. XVII

## NO. 22

The 29th April 1977

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1977

( Budget Session )

Volume— XVII

No— 22

Dated the 29th April, 1977.

## CONTENTS.


| | Page No. |
|---|---|
| 1. Questions ... ... ... ... ... | 5— 57 |
| 2. Voting on Demands for grants — | 58— 96 |
| 3. Statement by the Cheif Minister— — | 97— 101 |
| 4. Calling Attention Notice— — | 102— 103 |
| 5. Miscellaneous — — — | — 104 |
| 6 Adjournment— — — — | — 105 |

Proceedings of the Seventeenth Session of the Assam Legislative Assembly Assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

——

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 29th April 1977 with the Hon. Speaker in the Chair, 14 (fourteen) Ministers, 4 (four) Ministers of State. 1 (one) Deputy Minister and 75 (seventy five) Members present.

——

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

Date : 29th April, 1977

——

### RE : ALLOTMENT OF GOVERNMENT QUARTERS WITHIN CAPITAL CAMPUS

Sri Mal Chandra Pegu. asked :—

*280. Will the Chief Minister be pleased to state-

a) The procedure in making allotment of Government quarters within the Capital Campus ?

b) The total number of quarters available in the Capital Campus ?

c) Who are the Government servents staying in the quarter (list of their names with designations, length of services to be shown) ?

d) Whether the Government servant who have their own houses in Gauhati can stay in the Government quarters situated within the Capital Compus ?

e) Who are the Government Servants staying in the Government quarters although they have their own houses in Gauhati (list of such Governament Officers is to be furnished ) ?

f) Whether the married couples are given preference over the unmarried Government Servants in the matter of allotment of quarters ?

g) How may unmarried Government Servents have been allotted quarters (name, designation and length of service to be furnished , ?

h) Wherther some absentee Governamant servents have kept the quarters occupied ?

i) If so who are they ?

Sri Sarat Chandra Sinha. (Chief Ministcr) replied:

280. a) There is a House Allotment Committee comprising of :—

i ) Secretary, General Administation Department — Chairman.
ii) Additional Secretary, Supply — Member.
iii) Deputy Secrctary, General Administration Department— Member-Secretary.

Representatives of the following staff association attend as invitees :—

i ) President, Assam Seeretaiat Service Associat ion.
ii) General Secretary, Assam Secretariat Services Association.
iii) General Secretary, Assam Secretariat Stenographers' Association.
iv) President, Assam Secretariat Typiest Association.

The house Allotment Committee meets once every month. Applications of employees are scrutinised and

allotments are made on the basis of seniority. The Committee also considers allotments in special cases due to phyisical disabislity or accidents in wich casc temporary or special allotments are made.

b) One thousand four hundred and ninety-two.

c) A list 'A' is placed on the Table of the House (length of services are not furnished in the list as the same are not immediately available)

d) Normally Governament Officers having their own houses in Gauhati who are posted to the Secretariat are not permitted to stay in Government quarters within the Capital Campus.

e) —A list 'B' is placed on the Table of the House.

f) —Yes, All married employees at present accommodated in VIII (s) quarters have been given perferential allotment in VII (s) or VIII (M) category quarters because VIII (s) category quartes are considered very small.

g)—Two hundred and seventy eight. A list 'C' is placed on the Table of the House. (Length of Service is not furnished as the same is not immediately available)

h)—Some employees who have since retired are continuing to occupy the quarters temporarily.

i)—(1) Shri R. Bora, Retired Private Secretary to the Chief Secretary, Assam.

2) Shri P. C. Das. Retired Under Secretary.

3) Shri D. Mahanta, Retired superintendent.

4) Shri G. C. Medhi. Retired Superintendent.

5) Shri B. L. Singha, Resigned.

Shri Mal Chandra Pegu:—Sir, the Chief Minister has given the names of Officers who have not vacated the quarters but he has not mentioned the names of officers namely Shri H. Pathak, Estate Officer P. W. D. (R&B), Shri R. Sarma' Under Secretary Logislative Assamly. Shri D. C. Kataki. Private Secretary to Minister Flood Control who have their own houses. What are the reasons for which they have not vacated and how long they are in the Govt. quarters after they were asked to vacate ?

Shri Sarat Chandra Sinha, (Chief Minister) They have been asked to vacate but they continued to occupy and we are trying to get the houses vacated. That is what we can do.

Shri Mal Chandra Pegu'—Whether any timelimit has been fixed for vacation ?

Shri Sarat Chandra Sinha, (Chief Minister) :—Yes Sir, Govt. wants immediate vacation but the employees put up certain personal inconveniences, so these things are to be taken into consideration. Some time on personal grounds time is given. Govt.'s earnest endeavour is to get the houses vacated.

Shri Mal Chandra Pegu—How long they will be allowed to occupy ? There are so many inconveniences, wlll they be allowed to continue to occupy Govt. quarters till their inconveniencs are removed ?

Shri Sarat Chandra Sinha, (Chief Minister): —No sir, Steps will be taken soon.

Shri Mal Chandra Pegu:— How long they will be allowed to stay in the Govt. quarters—the Officers mentioned by the Cnief Minister ?

Shri Sarat Chandra Sinha, (Chief Minister):— I have already assured that immediate ateps will be taken to see that the quarters are vacated.

শ্ৰীলক্ষীকান্ত শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, কোৱাটাৰ

এলটমেণ্টৰ কাৰণে কি কি নিয়ম আছে। এই কথাটো সচাঁনেকি যে যি সকলৰ চাকৰি গল সেই সকলৰো দৰ্খাস্তত দেখুউৱা নহয় আৰু হাউচ এলট্‌মেণ্ট কমিটিৰ সদস্য সকলৰ সন্তুষ্টিৰ ওপৰতেই সকলো কথা নিৰ্ভৰ কৰাৰ কাৰণে পাবলগীয়া বহুতো চাকৰিয়াল বঞ্চিত হৈ থাকিবলগীয়া কথাটো সচাঁনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, ডেপুটি চেক্ৰেটেৰীৰ পৰা ওপৰৰ বিষয়াসকলৰ ক্ষেত্ৰত নিয়োগৰ তাৰিখ আৰু দৰ্খাস্তৰ তাৰিখ এই দুয়োটা কথা বিবেচনাকৰি কাক আগতে আৰু কিয় দিব লাগে সেইটো নিৰ্ণয় কৰে। অন্যসকল কৰ্মচাৰীৰ ক্ষেত্ৰত চিনিয়ৰিটিৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হয়। যি সকল চেক্ৰেটেৰীয়েটৰ কৰ্মচাৰী প্ৰথমে আহিবলগীয়া হল আৰু যি সকল নাহিলেই নহয় সেই সকলৰ দ্বাৰা প্ৰথমে কিছুমান কোৱাটাৰ দখল কৰিলে। সেইবিলাক কোৱাটাৰৰ ক্ষেত্ৰত কিছুমান এনমেলি নোহোৱা নহয়। এই সম্পৰ্কে যাতে খেলি মেলি আদি নহয় তাৰ কাৰণে নিয়মাৱলী প্ৰস্তুত কৰা হৈ আছে। গৃহীত হলেই সেই মতে কৰা হব। আকৌ দখলতো কিছুমান খেলি মেলি হৈছে। সেই সকলো বিলাক নিয়মাধীন কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

Shri Premadhar Bora:— Whether Govt. is aware that many Govt. employees who are enjonyiag Govt. house building loans are occupying Govt. quarters ?

Shri Sarat Chandra Sinha, (Chief Minister) :—Govt. is aware.

Shri Premadhar Bora: If Govt. is aware whether Govt. will look into the matter and see that they do not enjoy double benefit ?

Shri Sarat Chandra Sinha, (Chief Minster):--Govt. quarter is one thing and house bulding loan is another thing. If he takes loan and constructs a house for occupation after retirement there is nothing wrong. As he is a Govt. employee he is entitled to stay in Govt. quarter. The only difficulty is that if the Govt. employee has a house either constructed out of house building loan or otherwise if he has a house in Gauhati generally be is not allowed to occupy Govt. quarter in the Capital Campus. That is the position.

Shri Atul Chandra Saikia :—Sir, the Hon'ble Chief Minister has said that there are 1492 quarters in the capital complex but may I know from the Hon'ble Chif Minister whether these include the figure of the houses here near the P. W. D. office, near the Super Market ? I understand there are a few houses and officers of P. W. D, Public Health Engineer and other departments ? Whether this figure includes all these also ?

Shri Sarat Chandra Sinha, (Chief Minister):—These are the quarters in the campus, These do not include

the offices numbering 224 and 102 M. L. As' quarters

Shri Atul Chandra Saikia :—Some Departments like the P. W. D., the Public Health Engineer have got their quarters. Whether these have been included in the calculation ?

Shri Sarat Chandra Sinha, (Chief Minister) :— I do not think this has been included, subject to cerrection of course.

শ্ৰীসোনেশ্বৰ বৰা :— কোনোবা কৰ্ম্মচাৰীৰ নামত যদি কোনোবা ঘৰ এলটমেণ্ট কৰা হয় আৰু সেই ঘৰত যদি অইন কোনোবাই বেদখল কৰি থাকে তেতিয়া কি হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—কথাটো বুজিব পৰা নাই ।

শ্ৰীসোনেশ্বৰ বৰা :—এজনক এলটমেণ্ট কৰা ঘৰ অইনে বেদখল কৰিলে চৰকাৰে তেনে ক্ষেত্ৰত কি কৰিব ।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): হাউচিং এলটমেণ্ট কমিটিৰ বৈঠক মাজে মাজে বহি থাকে আৰু সেই বৈঠকত এইবিলাক বিষয়ে মিমাংসা কৰা হয় ।

শ্ৰীসোনেশ্বৰ বৰা :—কথাটো হল এনেকুৱা কোনোবা চাকৰিয়ালে বিছৰ সময়ত ঘৰলৈ যাওতে যদি অইন চাকৰিয়ালে সেই ঘৰ বেদখল কৰি বহি থাকে তেতিয়াহলে সেই ক্ষেত্ৰত কি ব্যৱস্থা কৰিব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):— হাউচিং এলটমেণ্ট কমিটিৰ মিটিং প্ৰতিমাহতে বহে আৰু তাত এনেবিলাক কথা মিমাংসা কৰা হয়।

Shri Atul Chandra Saikia,:—Sir, as per rule a Government official has to pay 10% of their pay as house rent for staying in a Government quarter. In case of those empleoyees who have been superannuated, how their rent has been fixed after the period of their superannuation?

Shri Sarat Chandra Sinha, (Chief Minister ):— If they continue to occupy beyond the period they are entitled to occupy then they are to pay as per market rate.

বিঃ গ্ৰামসেবিকা ট্ৰেইনিং

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :—

*২৮১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ২৩।১২।৭৬ তাৰিখত প্ৰকাশিত দৈনিক জনমভূমি কাকতত 'Situation Vacant' নামৰ শিতানত ৰাজ্যখনৰ গ্ৰামসেবিকা ট্ৰেইনিঙৰ কাৰণে আবেদন বিচৰা হৈছিল নেকি ?

খ) যদি বিচৰা হৈছিল সেই আবেদন কোন তাৰিখৰ আগতে দাখিল কৰিব লাগিব বুলি কোৱা হৈছিল ?

গ) এই শিতানৰ মহিলা প্ৰাৰ্থী কিমানে বিভাগীয় নীতি-নিয়ম মানি আবেদন কৰিলে ?

ঘ) আবেদন কাৰী প্ৰাৰ্থীসকলে কোন কোন ঠাইৰ জনাবনে ?

শ্ৰীছৈয়দ আহমেদে আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৮১। (ক) হয়, হৈছিল।

খ)—২৭।১২।৭৬ চন।

গ)—৬০১ গৰাকীয়ে।

ঘ)—জিলা অনুসাৰে প্ৰাৰ্থীসকলৰ ঠিকনা তলত দিয়া হ'ল-

| | | |
|---|---|---|
| ১। | ডিব্ৰুগড় | — ২৭ |
| ২। | নগাঁও | — ৩২ |
| ৩। | কামৰূপ | — ৬৩ |
| ৪। | দৰং | — ৪৮ |
| ৫। | গোৱালপাৰা | — ৩৮ |
| ৬ | কাছাৰ | — ১১৭ |
| ৭। | শিৱসাগৰ | — ২০৫ |
| ৮। | উত্তৰ কাছাৰ | — ৬ |
| ৯। | লক্ষীমপুৰ | — ৬১ |
| ১০। | কাৰ্বি আংলং | — ৪ |

শ্ৰীসোনেশ্বৰ বৰা :— এই যে ২৩ তাৰিখটো আৰু ২৭ তাৰিখটো

বিজ্ঞাপন আৰু দৰ্খাস্ত দাখিল কৰা সময় যথাক্ৰমে দেখুৱাইছে এই তাৰিখ দুটা কি কি বাৰ আছিল কিয়নো এই সময়ছোৱাৰ ভিতৰত কেবাদিনো বন্ধ আছিল। গতিকে ট্ৰেজাৰী চালান আদি দিয়াত অসুবিধা হোৱাৰ কথা চৰকাৰে বিবেচনা নকৰে নে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— এই ২৩ আৰু ২৭ তাৰিখত কি বাৰ আছিল সেইটো কেলেণ্ডাৰ নোচোৱাকৈ কোৱা টান। ২৩ তাৰিখে বিজ্ঞাপন পঠোৱা হোৱা নাছিল। ১০ তাৰিখেহে পঠোৱা হৈছিল। ইয়াৰ বাহিৰেও আমি ডি, চি আৰু বি, ডি, অ সকললৈ পঠোৱা হৈছে

শ্ৰীসোনেশ্বৰ বৰা : সাধাৰণতে এই ক্ষেত্ৰত যিমান কেইটা দিন আবশ্যক হয় সেই কেইটা দিন ৰখা হোৱা নাই। চৰকাৰে যেতিয়া বিজ্ঞাপন প্ৰকাশৰ কাৰণে কাগজত দিছে সেই ক্ষেত্ৰত প্ৰাৰ্থী সকলৰ সুবিধা অসুবিধাৰ কথা বিবেচনা নকৰেনে ?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী) :—আমি কেৱল এখন কাগজতে প্ৰকাশ কৰা নাই। কেবাখনো কাগজত প্ৰকাশ কৰিছো। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগ, গুৱাহাটীলৈও এই বিজ্ঞাপন দিয়া হৈছে। He is reguested to publish this advertisement in two consecutive issues of two local news papers in Assamese and English. গভৰ্ণমেণ্ট প্ৰেছত দিয়া হৈছে, সকলোবিলাক ডি, চি মহকুমা পৰিষদৰ চীফ একজিফিউটিভ কাউন্সিলৰ আৰু মেম্বাৰ তাৰোপৰি অল ইণ্ডিয়া ৰেডিঅ গুৱাহাটী, শিলচৰ আৰু ডিব্ৰুগড়টো বিজ্ঞানৰ কপি পঠোৱা হৈছে। এতিয়া জনমভূমি কাকজত বিজ্ঞাপনটো প্ৰকাশ হোৱাত কিয় পলম হল কব নোৱাৰো। ইয়াৰ উপৰিও আৰু

বহু ঠাইতে দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :—যিহেতু পাৰ্থীসকলে অইন কাগজ হাতত নাপায় তেওঁলোকে এই বিজ্ঞাপনৰ বিষয়ে খবৰ নোপোৱাৰ কাৰণে যথা-সময়ত পদটোৰ প্ৰাৰ্থী হবলৈ চেষ্টা কৰিও বঞ্চিত হল। বিজ্ঞাপনটো প্ৰকাশ হোৱাৰ সময়ৰ পৰা ট্ৰেজাৰী চালান উপযুক্ত সময়ত দাখিল কৰাত প্ৰাৰ্থী সকলে অসুবিধা ভোগ কৰিলে। গতিকে এই অসুবিধা বোৰ দুৰীকৰণ কৰিবৰ কাৰণে চৰকাৰে চেষ্টা কৰিব নে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— জনমভূমি কাগজৰ বাহিৰেও অইন অইন কাগজত এই বিজ্ঞাপন দিয়া হৈছে। মুঠতে আমি এই বিজ্ঞাপন দিবলৈ কতো বাকী ৰখা নাই।

শ্ৰীদুলাল খাউন্দ :—বাতৰি কাকতত যিবিলাক বিজ্ঞাপন প্ৰকাশ কৰিবলৈ দিয়া হয় সেইবিলাক নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সেই কাগজতে প্ৰকাশ কৰিবলৈ দিয়া হয় নে নহয় ? আৰু যদি দিয়া হয় তেনে ক্ষেত্ৰত বাতৰি কাকতে বিজ্ঞাপন নিৰ্দ্দেশিত তাৰিখত প্ৰকাশ নকৰিলে বাতৰি কাকতক তাৰ বাবদ পেমেণ্ট কৰা হয় নে নহয় ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) : — সেইটো চাব লাগিব।

শ্ৰীমালচন্দ্ৰ পেগু :—মাজুলীত কেবল জনমভূমি কাগজখনহে প্ৰচাৰ হয় আৰু অইন কাগজ তেনেকৈ নেযায়। এনে ক্ষেত্ৰত যিসকলে এই পদৰ কাৰণে বাতৰি কাকতৰ মতে আবেদন কৰিছে সেই সকলৰ কেচ কনচিদাৰ কৰিব নেকি ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :—মাজুলীত জনমভূমিৰ বাহিৰে

অইন কাগজ যে নাযায় সেই কথা মই নাজানো। সেইটো জনা হলে বেলেগ ব্যৱস্থা কৰিলোহেতেন।

ডঃ কোষেশ্বৰ বৰা ঃ—গ্ৰাম্য সেবিকা বা গ্ৰাম্যসেৱকৰ প্ৰশিক্ষণৰ কাৰণে যিমান পদ খালি হৈছে সিমান গ্ৰাম সেবিকা প্ৰশিক্ষণলৈ পঠাইছে নেকি, কিমান সংক্ষক পঠাইছে ? আগতে প্ৰশিক্ষণ লোৱা গ্ৰামসেৱিকা বহি থকা কথা চৰকাৰে জানে নেকি ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ—এইটো কেৱল গ্ৰামসেবিকাৰ কাৰণে, এইবাৰ ৪০ জনক প্ৰশিক্ষণৰ বাবে পঠোৱা হব। ইয়াৰ আগৰ যিবিলাকৰ প্ৰশিক্ষণ লোৱা হৈ আছে সেই সকলৰ চাকৰিত মকৰল কৰা হৈছে।

শ্ৰীমৌলানা আব্দুস জলিল চৌধুরী ঃ—অধ্যক্ষ মহোদয় গ্রামসেবিকারা সাধারণতঃ গ্রামাঞ্চলের এবং তারা কাগজ পত্র খুব কম পড়ো সুতরাং 'গভার্ণমেণ্টের আড্ভারটাইসমেণ্ট' গুলি গ্রামের মহিলাদের জানানোর জন্য গ্রামে যেগুলি মহিলা 'এক্সটেনশান অফিচার আছে তাদেরকে বিশেষভাবে জানানোর কোনো ব্যৱস্থা হয়েছিল কিনা ?

শ্ৰীছৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ— 'ব্লোকে' পাঠানে হয়েছিল এবং সমস্ত জানানো হয়েছিল। মহিলা অফিসারদেরও যাতে জানানো যায় তার ব্যৱস্থা করা হবে।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ ঃ— মই জানিব পালো যে বছৰি কিমান গৰাকী গ্ৰমসেৱিকাক প্ৰশিক্ষণ দিয়ায় ব্যৱস্থা আছে আৰু এই প্ৰশিক্ষণ দিয়াৰ কাল চোৱাত কেনে ধৰণৰ সা-সুবিধা দিয়া হয় ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— বছৰি হিচাবে কোনো কোটা নাই যদিও বছৰে বছৰে কেতিয়াবা কম হয় আৰু কেতিয়াবা বেছি হয়। এই বাৰ ৪০ জনক লোৱা হব। যোৱা বছৰ ৮০ জন আছিল। প্ৰশিক্ষণৰ কাল ছোৱাত তেওঁলোকে মাহে ৬০ টকাকৈ পায় আৰু থকা মেলাৰ সুবিধা পায়।

শ্ৰীকেহোৰাম হাজৰীকা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, গ্ৰামসেৱিকা সকলক কি কি বিষয় লৈ ট্ৰেনিং দিয়া হয়।

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :—গ্ৰাম্যসেৱিকাৰ ট্ৰেইনিং দিয়াৰ পিচত ব্লকত পষ্ট কৰা হয়, আৰু ট্ৰেনিংঙৰ ভিতৰত ঘাইকৈ গাৱে ভুৱে যিবিলাক গাৱলীয়া ঘৰ, সেইবিলাক কেনেকৈ ৰাখিব লাগে শাক পাচলি কেনেকৈ কৰিব লাগে, কেনেকৈ উৎপাদন কৰিব লাগে। লৰা ছোৱালীক কেনেকৈ যত্ন লব লাগে, স্কুললৈ যোৱা লৰা ছোৱালী বিলাকক শৃংখলা শিকাব লাগে যিবিলাক স্কুলত ফি দিওৰ ব্যৱস্থা আছে, সেইবিলাক তাৰ প্ৰতি চকু দিয়া আৰু মহিলা সমিতি আদি গঠন কৰা বহুতো বিষয়ৰ ট্ৰেনিং দিয়া হয়।

শ্ৰীমতী আনন্দী বালা ৰাভা :— মন্ত্ৰী মহোদয়ে জনাইছে যে, যোৱা বছৰ ৮০ গৰাকী গ্ৰামসেবিকাক প্ৰশিক্ষণ দিয়া হয়। এই ৮০ গৰাকী গ্ৰাম সেবিকাব কিমান গৰাকী নিয়োগ কৰা হৈছে আৰু কিমান গৰাকী বাকী আছে।

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— ইয়াৰ হিচাব মোৰ হাতত নাই। অৱশ্যে বেছিভাগেই নিয়োগ কৰা হৈছে।

শ্ৰীপিটসিং কোৱৰ :—অধ্যক্ষ মহোদয়, গ্ৰামসেবিকাৰ ট্ৰেইনিঙত পথাৰৰ কাৰণে যি জাননী কৰিছে কিমান বিকুইজিত কোৱালিফিকেচন লাগে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :—এইটো মেট্ৰিকুলেট হব লাগে ।

Starred question no. 282 was not put member being absent.

Re: Disposal of Bakijai Cases

Shri Pitsing Konwar asked:

*283. Will the Minisfer, Revenue be pleased to state —

Why the power to dispose of Bakijai cases has not been delegated to Bakijai Officer posted at Morigaon by the Revenue Department ?

Shri Chatrasing Teron (Minister, Revenue) replied:

*283. The Bakijai Officer posted at Morigaon has all the powers to dispose of Bakijai cases.

Shri Pitsing Konwar :—Sir, there is a mistake in printing. It should be Bakijai Officer of the Cooperation Department.

Shri Charat Sing Teron, (Minister) Sir, I have prepared the reply as the question appeared to me not Cooperation Department. So I am replying in that way.

Shri Pitsing Knower :– Sir, the Government has not delegated the power to the Officer posted theree The main object of postiag of an Officers there is to realise loans from the Cooperative Societies. Will the Government look into the matter and delegate powers to the Officer posted there so that he can realise loans from Cooperative Societies ?

Shri Charat Sing Teron, (Minister Revenue): –Sir, under the Assam Land Revenue Regulations Officers particularly of the cooperative Societies are sought to be notified as Bakijai Officers. But when this question was examined in the Judicial Department it was advised to us that probably it will be more advisable to make certain modifications in the provision of the Act so that it may be made full-proof. Therefore, so far as the pending bakijair cases of Marigaon is concerned, we are proposing to take up as early as possible.

শ্ৰীমতী আনন্দী বালা ৰাভা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যে, (ক) অসমত কিমান বাকী জাই অফিচাৰ আছে ? (খ) আৰু এই বাকীজাই অফিচাৰ সকলে কৰ্য্যালয়ত বহি বহি কেৱল বাকী বেছি কৰাৰ চিন্তাকে কৰি থাকে নেকি ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) : - গোটেই অসমৰ সংখ্যা মই দিব নোৱাৰো প্ৰতি কৰ্টতে বাকী জাই অফিচাৰ আছে ।

Shri Premadhar Bora .—What is the function of the particular Bakijai Officer if he is not delegated with the powers ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) :— যি সকলক এই পাৱাৰ দিব পাৰি তেখেতসকলক এই পাৱাৰ দিয়া হৈছে। তেওঁলোকৰ কাম হৈছে ৰেভিনিউ এৰিয়া হিচাবে যিবিলাকত অনাদায়ী ৰাজহ আদায় কৰিব বাকী আছে সেইবিলাক আদায় কৰাৰ কাৰণে আৰু যিবিলাক গোচৰ হয়, সেইবিলাক নিষ্পতি কৰিবৰ কাৰণে তেওঁলোকক ক্ষমতা দিয়া হয়।

শ্ৰীমতী আনন্দী বালা ৰাভা :— অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে মোৰ (খ) প্ৰশ্নৰ উত্তৰটো নিদিলে, প্ৰশ্নটো আছিল, যে বাকীজাই অফিচাৰ সকলে নিজৰ নিজৰ কাৰ্য্যালয়ত বহি কাকী তোলাৰ পৰিবৰ্ত্তে বাকী বেছি কৰে নেকি ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী : দুৰ্ভাগ্য বসংত কিমান টকা আদায় হৈছে সেইটোৰ সঠিক হিচাব মই দিব নোৱাৰো মোটা মোটিকৈ মোক কোৱা মতে এবছৰৰ ভিতৰত যথেষ্ট পৰিমানে টকা আদায় কৰা হৈছে।

কিন্তু সঠিক টকাৰ পৰিমানটো মই মাননীয় সদস্য গৰাকীক দিব নোৱাৰিলো ।

শ্ৰীজগদীশ চন্দ্ৰ দাস :—অধ্যক্ষ মহোদয়, আমাৰ মহকুমা বিলাকত যিবিলাক বাকীজাই অফিচাৰ আছে সেইবিলাক অফিচাৰৰ বহুতো কেচ থাকে আনহাতে তেওঁলোকে বিভিন্ন সময়ত বেলেগ বেলেগ কামো কৰিব লগা হয়। গতিকে গোচৰৰ সংখ্যালৈ বিবেচনা কৰি অফিচাৰ নিয়োগৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) :— সঠিক ভাবে গোচৰৰ প্ৰতি লক্ষ্য ৰাখি এইটো বিবেচনা কৰা হব ।

## বি ঃ অসমৰ শিপিনীসকলৰ আৰ্থিক অৱস্থা

শ্ৰীমতী প্ৰনীতা তালুকদাৰে সুধিছে :

২৮৪। মাননীয় বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

অসমৰ শিপিনী সকলক তাঁত শিল্পৰ যোগেদি আৰ্থিক অৱস্থা উন্নতি কৰাৰ কেনে ধৰণৰ ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীসুৰথ চন্দ্ৰ দাসগুপ্ত (বয়ন আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮৪। অসমৰ শিপিনি সকলৰ আৰ্থিক অৱস্থা উন্নতি কৰাৰ বাবে ৰেচম আৰু বয়ন বিভাগে নিম্নোক্ত ব্যৱস্থাৱলী গ্ৰহন কৰিছে—

১। বোৱনীসকলে উৎপাদন বৃদ্ধি কৰি যাতে উপাৰ্জন বঢ়াব পাৰে তাৰ বাবে উন্নত তাঁত শাল আৰু সা-সজুলি যোগান ধৰা।

২। অসমৰ বিভিন্ন ঠাইত থকা ৪২ খন 'বয়ন' সম্প্ৰসাৰণ সেৱা কেন্দ্ৰৰ জৰীয়তে বোৱনীসকলক বস্ত্ৰ উৎপাদনৰ বাবে সূতাৰ যোগান ধৰি আৰু কাৰিকৰী সাহাৰ্য্য প্ৰদান কৰি ঘৰত কাপোৰ বব দি বোৱনী বানচ দি কাপোৰ বিক্ৰীৰ বাবে ঘুৰাই লোৱা ব্যৱস্থা কৰা।

৩। ৰাজ্যখনত থকা ৬ খন বস্ত্ৰ উৎপাদন কেন্দ্ৰত বোৱনীসকলক কাম কৰিব দি উপযুক্ত মজুৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ।

৪। বোৱনীসকলক বেংকৰ পৰা ঋণ পোৱাৰ বাবে যাৱতীয় ব্যৱস্থা কৰি দিয়া আৰু অসম চৰকাৰৰ 'বেচা কিনা নিগমৰ' জৰিয়তে সূতা আদিৰ যোগান আৰু উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থা গ্ৰহণ।

৫। প্ৰচুৰ বস্ত্ৰ উৎপাদনৰ বাবে নিবিড় তাঁত শিল্প উন্নয়ন যোজনা আৰু ৰপ্তানী মুখী তাঁত শিল্প যোজনা স্থাপন।

৬। আৱশ্যক অনুযায়ী শিপিনী সকলক বোৱন কাৰ্য্যত যথা সম্ভৱ কাৰিকৰী সাহাৰ্য্য প্ৰদান।

৭। হেণ্ডলুম গৱেষণা আৰু চানেকি কেন্দ্ৰৰ জৰীয়তে নানা ধৰণৰ চানেকি যোগান ধৰাৰ ব্যৱস্থা।

৮। ৩১ খন বয়ন প্ৰশিক্ষণ কেন্দ্ৰৰ জৰীয়তে প্ৰতিখনতে ১৫ জনীকৈ ছোৱালীক এবছৰীয়া আৰ্টিজান পাঠ্যক্ৰম প্ৰদান আৰু উত্তীৰ্ণ ছাত্ৰী সকলক শাল সজুঁলি প্ৰদান।

৯। মহিলা সমিতি, অন্য অনুষ্ঠান আৰু ব্যক্তিগত লোকক বয়দ শিল্পৰ বাবে আৰ্থিক মজুৰী প্ৰদান :১৯৭৬-৭৭ চনৰ আৰ্থিক মঞ্জুৰী এনে ধৰণৰ-

ক) ৫,০০,০০০'০০ টকা চাব প্লেনত তাঁতশাল আদিৰ বাবদ।

খ) ২১,০০০'০০ টকা জেনেৰেল প্লেনত তাঁতশালৰ বাবদ।

গ) ২৫,০০০'০০ টকা জেনেৰেল প্লেনত আৰ্থিক মঞ্জুৰী বাবদ।

ঘ) ৬০,০০০'০০ টকা এবছৰীয়া আৰ্টিজান পাঠ্যক্ৰমত উত্তীৰ্ণ ছাত্ৰী সকলক তাঁত শাল দিয়াৰ বাবদ।

শ্ৰীপ্ৰণীতা তালুকদাৰ :—মন্ত্ৰী মহোদয়ে কলে যে বোৱনীসকলে উৎপাদন বৃদ্ধি কৰি যাতে উপাৰ্জন বঢ়াব পাৰে তাৰ বাবে উন্নত তাঁত শাল আৰু সা-সজুলিৰ যোগান ধৰা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে অসমৰ কিমান গৰাকী বোৱনীয়ে এই সুবিধা পাইছে আৰু উপাৰ্জন বৃদ্ধি কৰাত সহায় পাইছে ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—সেই ফিগাৰটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীমতী আনন্দী বালা ৰাভা :—ৰাজ্যখনত কিমান উৎপাদন কেন্দ্ৰ আছে আৰু সেই উৎপাদন কেন্দ্ৰ সমূহত যোৱা বছৰত কিমান টকা খৰছ কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—উৎপাদন কেন্দ্ৰ ছয়টা আছে। শিপিনী ১৯৭৪-৭৫ চনত আছিল বাষষ্ঠি গৰাকী আৰু ওৱেজ দিয়া হৈছিল বাৰ হাজাৰ সাতশ ছিসত্তৰ টকা, ১৯৭৫-৭৬ চনত পচপন্ন গৰাকী আছিল আৰু ওৱেজ দিয়া হৈছিল এঘাৰ হাজাৰ আঠশ ছাপন্ন টকা আৰু ১৯৭৬-৭৭ চনত আঠৰষ্ঠি গৰাকী আছিল আৰু ওৱেজ দিয়া হৈছিল বিশ হাজাৰ তিনিশ তেসত্তৰ টকা।

শ্ৰীকেহোৰাম হাজৰিকা : মন্ত্ৰী মহোদয়ে এটা বিৰাট ভাঙৰ হিচাপ দিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বয়ন সেৱা কেন্দ্ৰ যিমান বিলাক আছে সেই বিলাক একোজন মহাজনৰ দ্বাৰা চালিত হৈ থকা কথাটো সঁচা হয়নে নহয় ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—সঁচা নহয় চাৰ।

শ্ৰীআতাউৰ ৰহমান :—যি সকলৰ মাজত বোৱ-কটা ট্ৰেডিচন নাই তেওঁলোকৰ মাজত এই ব্যৱস্থা কৰিবলৈ কিবা আচনি লৈছেনে যদি লৈছে কোন আচনিত কিমান টকা খৰছ কৰিছে জানিব বিচাৰিছো।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) : -এইটো ট্ৰেডিচনেল সকলৰ কাৰণে কৰা হৈছে নন্-ট্ৰেডিচনেল নহয়।

শ্ৰীকেহোৰাম হাজৰিকা :—সেৱা কেন্দ্ৰবিলাক মহাজনৰ দ্বাৰা চালিত হৈ আছে সেইটো প্ৰশ্নৰ উত্তৰ দিয়া নাই। চাৰ।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) : -নহয় বুলি কৈছো।

শ্ৰীকেহোৰাম হাজৰিকা :—এইটো নজানো বুলি কৈছে কিন্তু তদন্ত কৰি জানি লব নেকি ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) : -তদন্ত কৰিবলৈ নাই। মই ফিগাৰৰ পৰাই কৈছো।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— মন্ত্ৰী মহোদয়ে দীঘলীয়া উত্তৰ দিছে কিন্তু শিপিনী সকলক মজুৰী দিয়া হৈছে নে নাই মই জানিব বিচাৰিছো আৰু যদি দিয়া হৈছে তেন্তে কি ব্যৱস্থাৰে মজুৰী দিয়া হয় ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :— ৰেট ফিক্স কৰি দিয়া হয় সেই মতে দিয়া হয়।

Shri Atul Chandra Saikia :—May I know from the hon: Minister how the rate has been fixed ? On what authority ? If is under Minimum Wages. Act ? If not under what law and regulation ?

Shri Surath Chandra Daolagupu (Minister) :-- We cannot apply Minimum Wage Act because it is part time job. It is done on the rate basis.

শ্ৰীআতাউৰ ৰহমান :—মোৰ প্ৰশ্ন আছিল নন্-ট্ৰেডিচনেল উইভাৰ্চৰ ক্ষেত্ৰত কিবা বিশেষ আঁচনি আছে নেকি যদি আছে কেনে ভাৱে প্ৰয়োগ কৰিছে ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :— সকলো ট্ৰেইনিং দিয়া হয়।

শ্ৰীপ্ৰেমধৰ বৰা :—তাঁত শাল অৰ্থনীতিতে নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰা শিপিনী সকলৰ পৰিসংখ্যা চৰকাৰৰ হাতত আছে নেকি ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :— আছে কিন্তু বৰ্তমান মোৰ হাতত নাই।

শ্ৰীপ্ৰেমধৰ বৰা :—এইটো এভডিং ৰিপ্লাই দিলে নহব। প্ৰশ্নটো 'অসমৰ শিপিনীসকলৰ তাঁত শিল্পৰ যোগেদি আৰ্থিক অৱস্থা উন্নতী

কৰাৰ কেনে ধৰণৰ ব্যৱস্থা গ্ৰহন কৰিছে জনাবনে ? তেনে ক্ষেত্ৰত তাঁত-শাল অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল যিখিনি শিপিনী আছে সেইসকলৰ কথা সুধিছো। আমাৰ ইয়াত দুই ধৰণৰ শিপিনী আছে। এবিধে 'হাতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ বয়' তেওঁলোকে আপোনাৰ মোৰ সকলোৰে ঘৰে ঘৰে আছে কিন্তু তাঁত শিল্পৰ ওপৰত নিৰ্ভৰ কৰি চলা শিপিনী কিমান আছে সেইটোহে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—সেইটো আমাৰ হিচাব আছে কিন্তু ফিগাৰটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—মাননীয় সদস্য শ্ৰীঅতুল শইকীয়া ডাঙৰীয়াই সোধা প্ৰশ্নৰ উত্তৰত থিকা কৰা ৰেট মতে ওৱেজ দিয়া হয় বুলি কৈছে কিন্তু সেৱা কেন্দ্ৰৰ শিপিনি সকলে কিমান ঘণ্টা কাম কৰে আৰু সেই অনুপাতে কিমান টকা উপাৰ্জন কৰে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—ৰেটৰ হিচাব টো নাই বা ঘণ্টাৰ হিচাব নাই কিন্তু যিমান কাপোৰ বব সেই হিচাবে পাব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— পিচ ৰেট কি ধৰণৰ ?

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু মন্ত্ৰী :— ডিফাৰ কৰে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—ষ্টেণ্ডাৰ্ড ৰেটটোকে কওক।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—এটকা পঞ্চাশ পইচা মান হব ফিগাৰটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীমতী আনন্দি বালা ৰাভা :- উৎপাদন কেন্দ্ৰ সমুহৰ নাম জানিব খুজিছো।

শ্ৰীসুৰথ চন্দ্ৰ ডউেলাগুপু (মন্ত্ৰী) :—উৎপাদন কেন্দ্ৰ আটাবিলাকৰ নাম নাই কিন্তু যোৰহাট, নলবাৰী, ডফমা এনেকৈ মুঠতে ছয়টা আছে।

শ্ৰীআতাউৰ ৰহমান :—শিপিনী সকলক লোন দিয়া আৰু সহায় কৰা হৈছে কিন্তু যিসকলে বয়নৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰে তেনে কিমান গৰাকী শিপিনীক এতিয়ালৈকে লোন দিয়া হৈছে আৰু প্ৰত্যেককে কিমান দিয়া হয় সেইটো জানিব বিচাৰিছো।

শ্ৰীসুৰথ চন্দ্ৰ ডাউলাগুপু (মন্ত্ৰী) :—বৰ্তমানলৈকে ৯০৭ গৰাকীক দিয়া হৈছে। ৰেটটো ভেৰি কৰে। ছয়শ পচিশৰ পৰা দুশলৈকে।

Shri Atul Chandra Saikia :—Sir, despite my repeated qustions the Minister has not replied as to how the rate is fixed.

Shri Surath Chaudra Daolagupu (Minister) :—Rate is fixed by the Department and the weavers agree to it. Authority is the Goverament.

Shri Atul Chandra Saikia :—For non implementation of the rate, if any dispute arises, how the Govt. is taking care of those case ?

Shri Surath Chandra Daolagupu (Minister) :—sueh kind of cases have not yet been reported.

মৌলানা আব্দুল জলিল চৌধুরী :—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যে ৬ টি উৎপাদন কেন্দ্রর কথা বলেচেন, তার কাজ কখন থেকে আরম্ভ হয়ছে এবং এই উৎপাদন কেন্দ্রগুলির পঞ্চম পঞ্চবার্ষিক পরিকল্পনার সঙ্গে কোন সম্পর্ক আছে কিনা এবং সেগুলির পরিদর্শনের কোনে ব্যবস্থা আছে কিনা ?

শ্রীসুৰথ চন্দ্র দলগুপু (মন্ত্ৰী) :—চতুৰ্থ পৰিকল্পনাত আৰম্ভ হৈছিল ফিগাৰটো বৰ্তমান মোৰ হাতত নাই।

মৌলানা আব্দুল জলিল চৌধুরী :—অধ্যক্ষ মহোদয়, আমার প্রশ্ন ছিল, পরিদর্শণের জ্ঞান ব্যৱস্থা আছে কিনা ।

শ্ৰীসুরথ চন্দ্র দলগুপু (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, পরিদর্শণের ব্যৱস্থা নিশ্চয়ই আছে ।

বি ঃ অসমীয়া ভাষাত পাঠ্যপুথি প্ৰণয়নৰ ৰাজ্যিক আৰু বিশ্ব-বিদ্যালয় পৰ্য্যায়ত সংযোগকাৰী সমিতি

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :—

*২৮৫। মাননীন শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰ কৰি জনাবনে—

ক) অসমীয়া ভাষাত পাঠ্যপুথি প্ৰণয়ন কৰিবলৈ ৰাজ্যিক আৰু

বিশ্ববিদ্যালয় পৰ্য্যায়ত সংযোগকাৰী সমিতি কেতিয়া গঠন কৰা হৈছিল ?

খ) এই সমিতি সমুহক কি কি কাম দিয়া হৈছিল ?

গ) তেওঁলোকৰ আঁচনিত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু এতিয়ালৈকে কিমান টকা ব্যয় কৰা হৈছে ?

ঘ) এতিয়া কিমান খন পাঠ্যপুথি প্ৰণয়ন কৰা হৈছে ?

ঙ) এই পাঠ্যপুথিবোৰ কেনেকৈ বিক্ৰী কৰা হয় ?

চ) বিক্ৰীৰ টকা-পইচা সম্পূৰ্ণ কৈ পাই থকা হৈছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ, (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

২৫৮। ক)— অসমীয়া ভাষাত পাঠ্যপুথি প্ৰণয়ন কৰিবলৈ ৰাজ্যিক আৰু বিশ্ববিদ্যালয় পৰ্য্যায়ত সংযোগকাৰী সমিতি কেইখন ১৯৬৮ চনত গঠন কৰা লৈছিল ।

খ) ৰাজ্যিক সংযোগকাৰী সমিতিখনৰ কাম হৈছে পৰামৰ্শ দিয়া আৰু আঁচনিৰ কাম কাজবোৰৰ তদাৰক কৰা । বিশ্ববিদ্যালয়ৰ সংযোগ-কাৰী সমিতি দুখনৰ কাম হৈছে পাঠ্যপুথি প্ৰণয়ন, প্ৰকাশ আৰু বিক্ৰীৰ দিহা কৰা ।

গ) ৰাজ্যিক সংযোগকাৰী সমিতিৰ বাবে মুঠ ২,২৬,০০০ টকা গুৱাহাটী বিশ্ববিদ্যালয় সংযোগকাৰী সমিটিৰ বাবে মুঠ ৬৪,১৩,০০০ টকা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় সংযোগকাৰী সমিতিৰ বাবে মুঠ ৫১,৮৫,৮০০ টকা (সৰ্ব্বমুঠ ১,১৮,২৪,৮০০ টকা) ধাৰ্য্য কৰা হৈছে। এই আচনিৰ বাবে যোৱা ৩১।১২।৭৬ তাৰিখলৈ সৰ্ব্বমুঠ ৯১,১৬,৭২৬.৫৬ টকা ব্যয় কৰা হৈছে।

ঘ) গুৱাহাটী বিশ্ববিদ্যালয় সংযোগকাৰী সমিতিয়ে এতিয়ালৈকে ২২২ খন পাঠ্যপুথি (ইয়াৰে ৪০ খন দ্বিতীয় সংস্কৰণ ) আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় সংযোগকাৰী সমিতিয়ে ২০৫ খন পাথ্যপুথি প্ৰাক্‌বিশ্ববিদ্যালয় প্ৰাক্ স্নাতক আৰু স্নাতক পৰ্য্যায়ৰ পাঠ্যপুথি প্ৰণয়ন কৰি প্ৰকাশ কৰিছে।

ঙ' —এই পাঠ্যপুথিবোৰ বিক্ৰী কৰাৰ বাবে বিশ্ববিদ্যালয় সংযোগকাৰী কাৰ্য্যালয়ৰ লগতে একোটাকৈ বিক্ৰী কেন্দ্ৰ খোলা হৈছে, আৰু এই বিক্ৰী কেন্দ্ৰৰ যোগেদিয়েই পাঠ্যপুথিবোৰ বিক্ৰী কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয় সংযোগকাৰী সমিতিয়ে এসময়ত তেওঁলোকৰ প্ৰস্তুত কৰা পাঠ্যপুথিবোৰ ৮ খন Sole Distributor ৰ সহায়ত ১৮% কমিচন হাৰত বিক্ৰীৰ ব্যৱস্থা কৰিছিল। কিন্তু এই Distributor সকলৰ পৰা ঠিকমতে বিক্ৰীৰ ধন নোপোৱাত সেই ব্যৱস্থা প্ৰত্যাহাৰ কৰা হৈছে।

চ) ডিব্ৰুগড় বিশ্ববিদ্যালয় সংযোজক সমিতিয়ে বিক্ৰীৰ টকা সম্পূৰ্ণ ভাবে পাইছে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয় সংযোজক সমিতিয়ে Sold Distributor কেইজন মানৰ পৰা মুঠ ৩,৫০,৪৭৫'৯৭ টকা আদায়ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় সংযোজক সমিতিৰ সচিবে যথাবিহিত ব্যৱস্থা হাতত লৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :– অধ্যক্ষ মহোদয়, ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যি দুখন সংযোগ কাৰি সমিটি আছে এই দুখনৰ প্ৰত্যেকখনক কিমান খনকৈ কিতাপ প্ৰকাশ কৰাৰ দায়িত্ব দিছিল তাৰ কিমান কিতাপ প্ৰকাশ কৰা হল আৰু কিমান বাকী আছে ? যি খিনি বাকী আছে সেই খিনি কেতিয়ালৈ প্ৰকাশ কৰিব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যি খিনি কিতাপ প্ৰকাশ কৰা হৈছে সেই খিনি মই উল্লেখ কৰিছোঁৱেই বাকী কিমান কিতাপ প্ৰকাশ কৰিবলগা আছে তাৰ তথ্যপাতি বৰ্তমান মোৰ হাতত নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া .—অধ্যক্ষ মহোদয়, যিখিনি টকা ৰাজ্যিক সংযোগকাৰী সমিতিক আৰু বিশ্ববিদ্যালয় সমিতিক দিয়া বুলি কৈছে এই টকা ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ৰ নে কি ? যদি হয় দুয়োখন চৰকাৰে কিমান অংশকৈ টকা দিয়া হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, কেন্দ্ৰই ১ কোটি টকা দিবলৈ ঠিক কৰিছে। তাৰ ভিতৰত এতিয়ালৈকে ৬৯ লাখ টকা আমি পাইছো। কিন্তু এতিয়ালৈকে খৰছ কৰা হৈছে ৯১ লাখ ১৬ হেজাৰ টকা। যিখিনি অতিৰিক্ত টকা খৰছ হৈছে সেই খিনি আমাৰ চৰকাৰৰ ফালৰ পৰা খৰছ কৰা হৈছে; পিচত কেন্দ্ৰই দিব।

শ্ৰীলক্ষী কান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, এই আঁচনি অনুসৰি যিবিলাক কিতাপ বিক্ৰী কৰি টকা পোৱা হয় সেই টকা এতিয়ালৈ কোনে পাইছে আৰু কোনে পাব লাগে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :–এই টকাটো হৈছে গ্ৰাণ্টৰ টকা ফিৰাই দিব লগা নহয়। এই টকাৰে কিতাপ চপা কৰি বিক্ৰী কৰিব আৰু পুনঃ পুনঃ ছপা আৰু বিক্ৰী কামত এই টকাটো লগাব পৰা হৈ থাকিব।

শ্ৰীআটাউৰ ৰহমান :—অধ্যক্ষ মহোদয়, এইটো কথা সচঁানে কি

যে যিখন সংযোজককৰী সমিতি আছে তাত সমাজৰ কিছুমান তলখাপৰ লোক নথকাৰ কাৰণে যিবিলাক টেক্সবুক প্ৰণয়ণ কৰা হৈছে তাত সেই সেই সকল লোকৰ আশা আকাংঙ্খাৰ ভাব- মূৰ্ত্তী প্ৰকাশ নাপায়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, টেক্স বুক কমিটিয়ে প্ৰকাশ কৰা কিতাপৰ ওপৰত আমাৰ কৰিব লগা বহুতো কাম আছে। মাননীয় সদস্য গৰাকীয়ে যি ধৰণেৰে প্ৰশ্ন কৰিছে সেই মতে সকলো আশা-আকাংশা পূৰাব পৰাকৈ কেনেকৈ কিতাপ বিলাক প্ৰকাশ কৰিব পৰা যায় তাৰ কাৰণে আমি যত্ন কৰিছো। এই- সমিতিখনৰ সদস্য সকল হৈছে—শিক্ষামন্ত্ৰী হৈছে চেয়াৰমেন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাইচ চেঞ্চেলৰ হৈছে ভাইচ চিয়াৰমেন। ড: এ, কে গোস্বামী হৈছে মেম্বাৰ এই তালিকাখন বৰ দীঘল পঢ়িবলৈ সময় লাগিব। তেখেতে কি প্ৰশ্ন কৰিছে তাক মই বুজি পাইছো আৰু সেই ধৰণৰ আসোঁৱাহ বোৰ দূৰ কৰিবলৈ আমি যত্ন কৰিছো।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—অধ্যক্ষ মহোদয়, টেক্স বুক কিছুমানত অত্যন্ত ভূলনীতি কিছুমান প্ৰচাৰ কৰি আছে। এই সদনৰ মজিয়াত মই কিছুমান পঢ়ি দিছিলো, তেতিয়া সেই সময়ত মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীয়ে আমাক দিছিল যে যাৱতীয় ব্যৱস্থা লব আৰু শুদ্ধকৰাৰৰ ব্যৱস্থা কৰিব। মই মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিয় এতিয়াও শুধৰনী নহ'ল আৰু ভূলনীতি প্ৰকাশ কৰা হৈয়ে আছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এইবোৰ শুধৰাবৰ কাৰণে যত্ন কৰি আছো।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড: কিন্তু এই বিশেষ কিতাপ খন কিয় বন্ধ কৰি দিয়া নহ'ল ?

(উত্তৰ নাই)

শ্ৰীকেহোৰাম হাজৰিকা :—এই কথাটো সচানেকি যে ভালকৈ ৰক্ষণা বেক্ষণ দি কিতাপ বিলাক ৰাখিব নোৱাৰাৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ত পানী পৰি বহু হেজাৰ টকাৰ কিতাপ নষ্ট হৈ গৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এইটো চাব লাগিব ।

শ্ৰীদুলাল খাউণ্ড :—দুখন বিশেষ কিতাপ কথা সদনত দিছিলো সেই কিতাপ দুখন শুদ্ধকৰণৰ সাপেক্ষে কিয় বন্ধ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—বন্ধ কৰি দিয়াৰ লগে লগে অসুবিধাৰ সৃষ্টি হয় । গতিকে সংশোধন কৰাটোৱেই বেচি যুগুত হব ।

শ্ৰীমতী আনন্দি বালা ৰাভা :—এই প্ৰকাশন পৰিষদত কোনো সদস্যব অহৰ্তা নথকা স্কুলীয়া ছাত্ৰক এই কিতাপ বিলাকৰ সংকলন চাবৰকাৰণে দিয়াৰ কাৰণে শুদ্ধ পাঠ্যপুথি বিলাক নোলায়, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এই কথাটো মই নাজানো ।

শ্ৰীআনন্দি বালা ৰাভা :— ৫ম মান শ্ৰেণীৰ ইংৰাজী সাহিত্য খন কাক সংশোধন কৰিবলৈ দিয়া হৈছিল জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—চাব লাগিব।

অধ্যক্ষ: আপুনি জনাই দিব।

Shri Atul Chandra Saikia:- Sir, out of the total grants received from the Central Government, may I know what is the total found available with this Committee ?

Shri Sarat Chandra Sinha, (Chief Minister) ঃ—The Education Ministry at the Central Government has sanctioned 1 (one) crore of which Rs. 91 lakhs has already been spent by this Government. I have already stated about this.

বি ঃ আধিয়াৰক নিষ্পেষিত কৰা মাটিগিৰি

শ্ৰীদেবেন্দ্ৰ নাথ বৰাই সুধিছে :

*২৮৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

ক) মাটিৰ অধিকাৰ আৰু পট্টন দিবৰ বাবে চৰকাৰে অধিয়া সকলৰ নাম ৰেকৰ্ড কৰাৰ নিচিনাকৈ যিসকল সকল নিষ্পেষিত আৰু অধিকাৰৰ পৰা বঞ্চিত কৰাইছে- তেওঁলোকৰো নাম ঠিকনা ৰেকৰ্ড কৰি সমাজৰ আগত প্ৰকাশ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

খ) এইটো কথা চৰকাৰে জানেনে যে ৰাজ্যখনৰ কিছুমান ৰাজনৈতিক নেতাই অধিয়াৰ সকলৰ স্বাৰ্থৰ প্ৰতিকুলে গৈ কিছু মাটিগিৰিক ৰক্ষণাবেক্ষণ দিছে ।

গ) এইটো কথাও সচানে যে এনে কিছুমান নেতাৰ হেচাত পৰি চৰকাৰেও মাটিগিৰিৰ বিষয়ে কিছুমান কথা বিবেচনা কৰিবলৈ ধৰিছে ?

শ্ৰীচন্দ্ৰসিং টেৰণ (ৰাজহ বিভাগৰ মন্ত্ৰী যে উত্তৰ দিছে :

২৮৬। ক)—তেনেধৰণৰ ব্যৱস্থা এতিয়ালৈকে চৰকাৰৰ বিবেচনাধীন হোৱা নাই কাৰণ ৰায়তৰ খতিয়ান প্ৰকাশ কৰাৰ সময়ত প্ৰতিজন মাটিগিৰিৰ নামো প্ৰকাশ কৰা হয় । কেৱল অধিয়াৰ সকলক নিষ্পেষিত কৰা বা অধীকাৰৰ পৰা বঞ্চিত কৰা মাটিগিৰিৰ নাম প্ৰকাশ কৰাৰ কাৰণে আইনত বৰ্ত্তমানে ব্যৱস্থা নাই ।

খ) এতিয়ালৈকে তেনেকুৱা ঘটনা চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই ।

গ) এই কথা সচাঁ নহয় ।

শ্ৰীদেবেন্দ্ৰ বৰা : -অধ্যক্ষ মহোদয়, চৰকাৰী আইনখন কাৰ্য্যকৰী কৰাৰ পিচত ঠিক মতে কাৰ্য্যকৰী নোহোৱাৰ কাৰণে আধিয়াৰ সকলক মাটিগিৰী সকলে উচ্ছেদ কৰিছে, যাৰ ফলত আধিয়াৰ সকল জুৰুলা হৈ পৰিছে। সেই কাৰণে আধিয়াৰ সকলৰ নাম যেনেকৈ খতিয়ানত প্ৰকাশ কৰিছে ঠিক তেনেকৈ আধিয়াৰ সকলক জৰ্জৰিত কৰা মাটিগিৰি সকলৰ নাম প্ৰকাশ কৰি সমাজত প্ৰতিশ্ৰুতি দাঙি ধৰিলে এটা বেলেগ আবহাৱাৰ সৃষ্টি হব । এনে এটা ব্যৱস্থা কৰাৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীচন্দ্ৰসিং টেৰণ (মন্ত্ৰী) : – আইনত যেতিয়া আধিয়াৰ সকলৰ নাম প্ৰকাশ কৰা হয় তেতিয়া মাটিগিৰি সকলৰ নামো প্ৰকাশ কৰা হয়। এতিয়া গোটেই প্ৰশ্নটো হল যে যেতিয়া যি সকলে আধিয়াৰ সকলৰ ওপৰত নিষ্পেষিত কৰা বুলি আপত্তি আহে তেতিয়া তেওঁলোকৰ নাম প্ৰকাশ কৰাৰ ব্যৱস্থা আইন সঙ্গত ভাবে নাই। কিন্তু এইটো বিবেচনা কৰি চাবৰ স্থল অবশ্যে আছে। কিন্তু লগে লগে এটা কথা কব খোজো যে প্ৰধান কথা হৈছে সামাজিক দায়িত্ব। আমি যেতিয়ালৈকে গোটেই সমাজ খনক এই সম্বন্ধে সজাগ কৰি তুলিব নোৱাৰো তেতিয়ালৈকে বাতৰি কাকতত বা অন্য ভাবে প্ৰকাশ কৰি দিলেও ফলাফল নহব।

শ্ৰীপ্ৰমোদ গগৈ :— খ) ৰ প্ৰশ্নত আছিল যে 'কিছুমান ৰাজনৈতিক নেতাই আধিয়াৰ সকলৰ স্বাৰ্থৰ প্ৰতি কুলে গৈ কিছু মাটিগিৰিক ৰক্ষণা বেক্ষণ দিছে এই কথাটো সচা হয় নে নহয়? এই কথা জনাবনে যে এতিয়ালৈকে আধিয়াৰ আইনত, প্ৰজাস্বত্ব আইনত তেওঁলোকে ৰেকৰ্ড অব ৰাইট পোৱা সত্বেও কিমানক বলপূৰ্ব্বক ভাবে বিভিন্ন ৰাজনৈতিক হেচাৰ প্ৰভাবত পৰি উচ্ছেদ কৰিছে? এই সম্পৰ্কে তথ্য সংগ্ৰহ কৰিছেনে।

শ্ৰীচন্দ্ৰসিং টেৰণ (মন্ত্ৰী) :— আমাৰ সংগৃহিত তথ্য মতে যিমান বিলাক আধিয়াৰক এতিয়ালৈকে নথিভূক্ত কৰা হৈছে, তেওলোকক যদি উচ্ছেদ কৰিছে তেনেহলে আইনৰ ৫৪ ধাৰা মতে তেওঁলোকক গৈ অন্যায় উচ্ছেদৰ বিৰোদ্ধে আপত্তি কৰিব পাৰে। আমি তেনে ধৰণৰ আপত্তি পাইছো আৰু সেই আপত্তি বিলাকৰ বিচাৰ হৈছে আৰু অনেক খিনি ক্ষেত্ৰত আধিয়াৰ সম্পৰ্কে আমাৰ ৰাজহ বিষয়াই ৰায় দিছে।

শ্ৰীপ্ৰমোদ গগৈ :— মন্ত্ৰী মহোদয়ে এই কথাটো জনাবনে যে

যি বিলাক নথিভূক্ত আধিয়াৰক বলপূৰ্ব্ব ভাবে মাটিগিৰিয়ে উচ্ছেদ কৰিছিল, সেই আধিয়াৰ সকলে চৰকাৰী ৰাজহ বিষয়াৰ ওচৰত আপত্তি কৰা সত্বেও আজি ৪-৫ বছৰে গোচৰ বিলাক মীমাংসা হোৱা নাই? ইতিমধ্যে আধিয়াৰ সকলক উচ্ছেদ কৰা হৈছে, এইটো সচানে?

শ্ৰীচত্ৰসিং টেৰণ (মন্ত্ৰী) :—এনেকুৱা ধৰণৰ কোনো দৃষ্টান্ত দৃষ্টিগোচৰ হোৱা নাই যে ৪-৫ বছৰলৈ তেনেধৰণৰ আপত্তি স্থগিত হৈ আছে। তথাপি এই সম্বন্ধে খবৰ লম।

শ্ৰীপ্ৰমোদ গগৈ :—এনেকুৱা দৃষ্টান্তৰ কথা যোৱাবাৰ মন্ত্ৰী মহোদয়ক কৈছো যে শিৱসাগৰত ৰাজ্যৰ কেচ তিনি চাৰি বছৰে এ, এচ অৰ ওচৰত পৰি আছে। ৰাজহ বিষয়াৰ আদালতত বিচাৰাধীন হৈ আছে। এই কেচ বিলাক ততালিকে নিষ্পতি কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচত্ৰসিং টেৰণ (মন্ত্ৰী) : আমি স্বাভাবিকতে উদ্বিগ্ন যে এনে ধৰণৰ গোচৰ সমূহ যাতে ৰাজহ বিষয়াই সোনকালে নিষ্পতি কৰি দিয়ে। কেৱল ৰাজহ বিভাগৰ বিষয়াৰ পৰ্য্যায়ত বিচাৰ যথেষ্ট নহয়, ইয়াৰ উপৰিও মাটিৰ মালিকে ওপৰ পৰ্য্যায়ত তলৰ পৰ্য্যায়ত ৰাজহ গোচৰ নিষ্পতি হোৱা কেচ আপিল কৰিবৰ অধিকাৰ আছে। তেনে ক্ষেত্ৰত দেখি হব পাৰে।

শ্ৰীআতাউৰ ৰহমান :—নগাঁও জিলাত কিছুমান ৰাজনৈতিক নেতাৰ প্ৰভাৱত পৰি তথাকথিত মাটিগিৰি কিছুমানে পট্টা সংগ্ৰহ কৰি ধাৰাবাহিক ভাবে আধিয়াৰ সকলৰ বিৰুদ্ধে অভিজান চলাই আহিছে, এই কথা জানানে? যদি জানে তাৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে?

শ্ৰীচন্দ্ৰসিং টেৰণ (মন্ত্ৰী) :—চাৰ কাৰ প্ৰভাৱত পৰি কি কৰিছে নাজানো। এটা কথা অৱশ্যে ব্যক্তিগত হিচাবে দৃষ্টিগোচৰ হৈছে কিছুমান পট্টাদাৰে আধিয়াৰ আইন উঠাই দিব লাগে বুলি এনে ধৰণৰ প্ৰস্তাৱনা কৰা বুলি খবৰ কাগজত পঢ়িব পাইছো। এই বিষয়ে খবৰ লৈছো।

Mr. Speaker:—The question hour is over. Now items No. 2

Undisposed starred qustions dated 29-4-79

RE : CONSTRUCTION OF A BRIDGE OVER BRAHMAPUTRA RIVER IN UPPER ASSAM

Shri Chandra Bahadur Chetri asksd :

*288. Will the Minister, P. W. D. be pleased to state.

a) Whether Government proposes to construct a bridge over the mighty Brahmaputra in the Upper Assam in order to connect Northern Bank with the Southern Bank considring the strategic importance and economic development of the backwared areas ?

b) If so, the steps so far taken by Government in this matter ?

Shri Md. Idris (Minister, P. W. D,) replied :

287: a)—Yes, subject to availability of founds,

b) The regional importance of a bridge over Brahmaputra near Silghat was projected to the North Estern Council and the Council has agreed to finance the survey and invesigation works.

M/s. Rail India, Tecnical & Economic Service Ltd, a Government of India undertaking, has been construsted with the investigation works M/s. RITES have already completed the preliminary surveys and as per the preliminary report the site near Silghat has been found to be most suitable for road bridge. The site near Dibrugarh was however found to be more suitable for a rail bridge. The Council Secretariat was of the opinion that in due coures the traffic would develop and when consideration of a bridge near Dibrugarh is teken after some time is could be for a rail cum-road bridge. Considering the techno-economic justification and the relative reginal need the council has asked M/s. RITES to proceed with the details investigations in respect of the proposed bridge near Silghat. The detailed investigation report is likely to be submitted by M/s. RITES to the North

Eastern Council by end of July, 1977. In the mean time, the State Government has taken up with the North Eastern Council and concerued Ministers of Government of India, to include the construction works of this bridge in the North Eastern. Cnuncil programme.

As regards the site near Dibrugarh, the Council decided that before the detailed investigation for construcation of a bridge at this site could be considered it was necessary to keep the site under observation for some more time. The Council decided that the Brahmaputra Floob Control commission should take necessary action for collaection of systemiatic Hybrological Data and carrying out Topographcal surveys.

বি ঃ—উন্নত জাতৰ ধানৰ বীজ ফাৰ্ম

শ্ৰীমতী তৰুলতা বৰুৱাই সুধিছে ঃ

* ২৮৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসমত কিমানখন উন্নত জাতৰ ধানৰ বীজ ফাৰ্ম খোলা হৈছে?

খ) অসমৰ খেতিয়ক ৰাইজৰ চাহিদা অনুসৰি এই উন্নত জাতৰ ধানৰ বীজ বিতৰণ কৰিব পৰা হৈছেনে?

43

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

২৮৮। ক)—৯৩

খ) এই বীজ ফাৰ্মবোৰৰ পৰা ধানৰ বীজ বৰ্তমানলৈকে ৰাইজৰ চাহিদা অনুসৰি দিব পৰা হৈছে।

## বি ঃ চৰকাৰী কৰণৰ সময়ত প্ৰাথমিক শিক্ষকৰ খালি পদ

শ্ৰীবদন চন্দ্ৰ তালুকদাৰে সুধিছে ঃ

* ২৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

ক) ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে অসমৰ প্ৰাথমিক শিক্ষকৰ চাকৰি চৰকাৰী কৰাৰ সময়ত কিমান শিক্ষকৰ পদ খালি আছিল?

খ) এই খালি হোৱা শিক্ষকৰ পদবোৰ পূৰণ কৰা হলনে ?

গ) যদি হৈছে, কিমান শিক্ষকৰ পদ পূৰণ কৰা হৈছে আৰু কি পদ্ধতি নিয়োগ কৰা হৈছে ?

ঘ) বৰ্তমানে অসমত মুঠ কিমান প্ৰাথমিক শিক্ষকৰ পদ খালি হৈছে আৰু কেতিয়াৰ পৰা খালি হৈ আছে ?

ঙ) এই খালি পদবোৰত নতুন শিক্ষক নিয়োগ কৰাৰ কি ব্যৱস্থা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক)—১,১৮৪ জন।

খ) আৰু গ)—৩৮৭ জন প্ৰশিক্ষন প্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়া হৈছে, এই সকল প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকক Subdivisional Selection Committee য়ে মৌখিক পৰীক্ষাৰ দ্বাৰা বাচনি কৰিছিল।

ঘ)—১৯৭৫ চনৰ ৫ চেপ্তেম্বৰৰ পৰা ৩১ ডিচেম্বৰ ১৯৭৬ চনলৈকে ৫৭৩ টা পদ খালি হৈ আছে।

ঙ)—এই পদবোৰ পূৰাৱৰ বাবে প্ৰত্যেক Educational Subdivisional ত একোখন কৈ Selection কমিটি গঠন কৰি প্ৰাৰ্থী নিৰ্ব্বাচন কৰিবলৈ দিয়া হৈছে। আৰু অতি সোনকালে এই পদবোৰত প্ৰাৰ্থী নিযুক্তি দিব পৰা যাব বুলি আশা কৰা হৈছে।

## RE : FILLING UP OF VACANT POST OF L. P. SCHOOL TEACHERS

Shri Santi Ranjan Das Gupta asked :

* 290. Will the Chief Minister be pleased to state—

a) Whether it is a fact that all the L. P. school were provincialised from 5th September 1975 and after the provincialisation, applications were called from the applicants for the post of teacher in L. P. school ?

b) If so, Whether both oral and written examination were taken ?

(c) If so, how many candidates have passed the written examinations and how many have been selected in oral examination ?

(d) Total number of applicants appeared in the whole State in those examination both writen and oral ?

(e) How many of them have since been appointed

Shri Sarat Chandra Sinha (Chief Minister) replied

290. (a)—Only the services of L. P. school teachers were provincialised. Applications were called for filling up vacant posts.

(b)—Yes.

(c)—26,064 candidates have passed the writen examination and complete report of selection for oral examination has not been received.

d)—41,598.

e) —387.

বি ঃ প্ৰাথমিক শিক্ষক পদৰ বাবে Interview

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে ঃ—

*২৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

ক) বৰ্ত্তমানলৈকে অসমত প্ৰাথমিক শিক্ষকৰ বাবে Interview দিয়া ছাত্ৰ-ছাত্ৰী সংখ্যা কিমান ?

খ) তাৰ বাবে কিমানজনক আৰু কেতিয়া নিযুক্তি দিব জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) উত্তৰ দিছে :—

২৯১। ক)—মুঠ ২৬,৪৭৫ জন।

খ) ৩৭৮ জন প্ৰশিক্ষণ প্ৰাপ্ত প্ৰাৰ্থীক ইতিমধ্যে নিযুক্তি দিয়া হৈছে। বাকীবোৰৰ সাক্ষাৎ কাৰ্য্য সম্পন্ন হৈছে আৰু অতি সোনকালে মনোনীত প্ৰাৰ্থীৰ গুণাগুণ অনুসাৰে বৰ্ত্তমানে খালী থকা মুঠ ৫৭৩ টা স্থায়ী আৰু ১,৫০০ টা অস্থায়ী (প্ৰশিক্ষণৰ খালী ঠাইত) পদত নিযুক্তি দিয়া হব।

বি ঃ অনুসূচীত জাতি আৰু জনজাতি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :—

*২৯২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰ কৰি জনাবনে—

ক) অসম ৰাজ্যখনত প্ৰাক্ স্বাধীনতা কালত ৰাজ্যখনৰ কোন কোন সম্প্ৰদায়ৰ লোকক অনুসূচীত জাতি আৰু জনজাতি বুলি গন্য কৰা হৈছিল ?

খ) স্বাধীনতাৰ কালছোৱাত কোনোৱা সম্প্ৰদায়ৰ লোকে অনুসূচীত জাতি বা জনজাতি গোষ্ঠিত নকৈ যোগ দিছেনে কিবা পূৰ্ব্বৰ ঘোষিত তালিকাৰ পৰা বাদ পৰিছে নেকি ?

গ) স্বাধীনোত্তোৰ কাল ছোৱাত অনুসূচীত জাতি বা জনজাতিৰ লগত যোগ দিবলৈ অন্য কোনো জাতি সম্প্ৰদায়ৰ লোকে চেষ্টা কৰিছেনেকি আৰু যদি কৰিছে কোন সম্প্ৰদায়ৰ লোকে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :-

২৯২। ক)—প্ৰাক্ স্বাধীনতা কালছোৱাত অসম ৰাজ্যখনৰ বাবে ঘোষিত হোৱা অনুসূচীত জাতি আৰু জনজাতিৰ তালিকা সদনৰ মেজত সদনৰ জ্ঞাতাৰ্থে দাখিল কৰা হ'ল।

খ) স্বাধীনত্তোৰ কালছোৱাত অসমৰ অনুসুচীত জাতি বা জনজাতি তালিকাত নকৈ যোগ দিয়া সম্প্ৰদায় বিলাকৰ তালিকা সদনৰ মেজত সদনৰ জ্ঞাতাৰ্থে দাখিল কৰা হ'ল। প্ৰক্ স্বাধীনতা কালছোৱাত ঘোষিত হোৱা অসমৰ অনুসুচীত জাতি বা জনজাতিৰ তালিকাৰ পৰা কোনো সম্প্ৰদায় বৰ্তমান অনুসুচীত জাতি বা জনজাতিৰ তালিকাৰ পৰা বাদ দিয়া হোৱা নাই।

গ) অৰুণাচলৰ অন্তৰ্গত তিৰাপ, বালিপাৰা আৰু জোনাই অঞ্চলত থকা খামতি, চিংফৌ, নগা ইত্যাদি সম্প্ৰদায়ৰ লোকসকল, বাগানৰ কাম কৰা চাহ বনুৱা জনজাতি অন্তৰ্ভুক্ত হবলৈ চেষ্টা কৰি আছে।

বি ঃ কলাইগাওঁ সেৱা আশ্ৰম

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

২৯৩। माननीय ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

ক) কলাইগাওঁ সেৱা আশ্ৰম কেতিয়া আৰু কি কি উদ্দেশত গঠিত হৈছিল ?

খ) এই আশ্ৰমখন কোনে কেনেকৈ চলাই আৰু ইয়াৰ সম্পাদক কোন ?

গ) এই আশ্ৰমলৈ চৰকাৰে আৰম্ভণীৰ পৰা বৰ্ত্তমানলৈকে কিমান টকা দিছে আৰু সেই টকাৰ হিচাব দিয়া হৈছে নে ?

ঘ) এই আশ্ৰমত মুঠ কিমান মাটি আৰু আন সম্পতি আছে ?

ঙ) এই আশ্ৰমৰ বাৰ্ষিক আয় কিমান আৰু এই আয়ৰ টকা কত খৰচ কৰা হয় ?

চ) যি উদ্দেশ্যত আশ্ৰম খন গঠিত হৈছিল সেই উদ্দেশ্য পূৰণ হৈছেনে ?

ছ) কি আইনৰ ব্যৱস্থা মতে এই আশ্ৰমক এতিয়াও ইমান মাটি ৰাখিব দিয়া হৈছে।

শ্ৰীছত্ৰ সিং টেৰণ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

২৯৩। (ক) স্থানীয় তদন্তৰ পৰা জনা মতে কলাই গাওঁ সেৱা আশ্ৰম সমিতি ১৯৫৪ চনত গঠিত হৈছিল। আশ্ৰমৰ কতৃপক্ষৰ মতে এই আশ্ৰম তলত দিয়া উদ্দেশ্যৰে গঠিত হৈছিল—

১। আশ্ৰমবাসী সকলে মহাত্মা গান্ধীৰ আদৰ্শৰে জীৱন অতিবাহিত কৰিব।

২। আশ্ৰমে সত্য আৰু অহিংসাৰ ভিত্তিত শোষণমুক্ত এখন সমাজ গঠন কৰিবলৈ আৰু ইয়াৰ প্ৰচাৰ অৰ্থে আৱশ্যকীয় ব্যৱস্থা লব।

৩। সমাজত গঠন মূলক কামৰ দ্বাৰ দাৰিদ্ৰতা, স্বাস্থ্যহীনতা, অজ্ঞতা আদি দূৰ কৰি ৰাইজৰ মাজত আত্ম প্ৰতিষ্ঠাৰ ভাব জগাই তুলিবলৈ উদগনি দিব।

৪। পাৰ্য্যমানে গ্ৰাম্যজীৱন আকৰ্ষণীয় আৰু স্বাৱলম্বী কৰিবলৈ যথোচিত ব্যৱস্থা লব।

৫। উপৰোক্ত উদ্দেশ্য সমূহৰ সফলাৰ্থে সকলো প্ৰকাৰৰ ব্যবস্থা লব।

খ)—আশ্ৰমখন ন্যাসৰক্ষি মণ্ডলৰ (Board of trustee) দ্বাৰা পৰিচালিত হয়। শ্ৰীপানীৰাম দাস এই আশ্ৰমৰ সম্পাদক।

গ)—চৰকাৰৰ ৰাজহ বিভাগৰ পৰা এই আশ্ৰমলৈ কোনো অনুদান দিয়া হোৱা নাই। গতিকে হিচাব দিয়াৰ প্ৰশ্ন নুঠে।

ঘ) এই আশ্ৰমৰ নামত ১৬২ বিঘা ১ কঠা ১৩ লেচা মাটি আছে। আশ্ৰমৰ আন সম্পত্তিৰ এখন তালিকা সদনৰ মজিয়াত ৰখা হৈছে।

ঙ) সম্পাদকৰ পৰা জনামতে আশ্ৰমৰ অনুমানিক বাৰ্ষিক আয় ১০,৭৩০ টকা। এই আয়ৰ টকা চৰকাৰী ৰাজহ আৰু ১১ জন আশ্ৰমবাসীৰ দৈনন্দিন খৰচৰ বাবদ আৰু আশ্ৰমৰ সংৰক্ষণত খৰচ কৰা হয় বুলি জনা যায়।

চ)—এতিয়াও পূৰণ হোৱা নাই বুলি জনা গৈছে।

ছ)—The Assam Fixation of Ceiling on Land Holdidgs Act, 1956 (Amended) ৰ অধীনত ৰাখিব পৰা মাটিত কৈ বেচি মাটি আশ্ৰমে ৰাখিব নোৱাৰে। ন্যাসৰ (Trust) নামত ও দখলত থকা মাটি চিলিং আইনৰ হিচাবত নপৰে বুলি ভাবি স্থানিয় বিষয়া সকলে ভূল ধাৰণাৰ বসবৰ্ত্তী হৈ মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰা নাছিল। কিন্তু এই কথা চৰকাৰৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে সেই আইনৰ অধীনত গোচৰ তৰাৰ নিৰ্দ্দেশ দিয়া হৈছে আৰু গোচৰতো ৰুজু কৰা হৈছে।

## RE : CONSTITUTION OF MANAGING COMMITTEES OF COLLEGES

Shrimati Pranita Talukder asked :—

* 294. Will the Chief Minister be pleased to state-

What is the policy adopted by the Government to constitute the Managing Committees of the Colleges ?

Shri Sarat Chandra Sinha (Chief minister) replied :

294.—There are no Managing Committees in Colleges. The Governing Bodies of Colleges are constituted as per Rule 3 of the Assam Aided College Management

Rules 1976. A copy of Rule 3 of the aforesaid Rules is placed on the Table of the House.

No person shall be member of the Governing Body of more then one College.

RE : ELECTRIFICATION OF VILLAGES

Shri Debendra nath Bora asked :—

*295. Will the Minister, Power be pleased to state

a) What is the target for electrification of villeges in the Fifth Plan period ?

b) How may villages have been electrified so far ?

Shri Mahammad Idris (Minister, power) replied :

295. a)—The revised traget is 2000 villages.

b)—391 villages were electrified as on 31st January 1977.

বি ঃ চৰকাৰী কলেজ

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে ঃ—

*২৯৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

ক) অসমত কেইখন চৰকাৰী কলেজ আছে ?

খ) এই কলেজ বিলাকত অধ্যক্ষ আৰু অধ্যাপক সকলে কেনে ধৰণৰ সা-সুবিধা পায় জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

ক)—মেডিকেল, ইঞ্জিনিয়াৰিং স্নাতকোত্তৰ আৰু শিক্ষক প্ৰশিক্ষণ কলেজৰ বাহিৰে সাত খন।

খ)—কটন কলেজৰ অধ্যক্ষ ভাড়াযুক্ত বাসভৱনৰ সুবিধা পায়। ডিফু কলেজৰ অধ্যক্ষ, কটন আৰু ডিফু কলেজৰ কেইজনমান অধ্যাপকে চৰকাৰে নিৰ্দ্ধাৰিত ভাড়াত চৰকাৰী বাসভৱনৰ সুবিধা পায়। বাকীবোৰে কলেজত এতিয়াও অধ্যক্ষ আৰু অধ্যাপক সকলৰ বাবে চৰকাৰী বাসভৱনৰ বন্দোবস্ত হোৱা নাই ইয়াৰ বাহিৰে আন কোনো সুবিধা তেখেত সকলক দিয়া নহয়।

মাননীয় উপাধ্যক্ষ :—আপোনালোকৰ মন্তব্য ৪৫ মিনিটহে। তাৰ পাচত মিনিষ্টাৰে উত্তৰ দিব।

শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই সদনত কওঁতে মানকাচৰৰ ঘটনা সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীইচলাম ডাঙৰীয়াই যি বিবৃতি প্ৰদান কৰিছিল এই ঘটনা তেনে ধৰণৰ নহয় আমি পোৱা খবৰ মতে। এই বিষয়ে তদন্ত কৰিবলৈ আহ্বান মই কৰিছিলো।

মই আকৌ এই কথাটো উত্থাপন কৰিছো যাতে বিভাগীয় তদন্তৰ কাৰণে চৰকাৰ নিজে ছকি নাযায়। চৰকাৰৰ দ্বাৰা এই পুলিচ বিভাগটো পুনৰ গঠন সম্পৰ্কত জনসাধাৰণৰ কামত অহাকৈ আৰু জনসাধাৰণৰ সমৰ্থন লাভ কৰিব পৰাকৈ এই বিভাগটো পুনৰ গঠন কৰাৰ কথা মই কালি কৈছো। কিন্তু এটা কথা ঠিক যে পুলিচ বিভাগত কাম কৰা লোক সকল আমাৰ ককাই ভাই। আমাৰ পুলিচত কাম কৰা মানুহ বা পুলিচৰ কাম কৰা প্ৰাৰ্থী সকলক আমি সহায় নকৰাকৈ নাথাকো। তথাপি আজি আমি পুলিচ বিভাগটোক ইমান কটু সমালোচনা কৰিছো কিয় এই বিষয়ত নিশ্চয় গুৰুত্ব আছে। পুলিচ বিভাগত কাম কৰা মানুহ সকল পৰিবৰ্ত্তনৰ কাৰণে চৰকাৰে লবলগীয়া দায়িত্বৰ কথা আমি উনুকিয়াইছো। পুলিচ বিভাগটোক যদি শাসক দলে দলীয় কামত লগায় তেতিয়াহলে পুলিচ বিভাগটো ভাল নহব। যোৱা জোৱাহৰ নগৰত বহা কংগ্ৰেছ অধিবেষনত ঘৰ সজাকে আৰম্ভ কৰি ৰাজনৈতিক দলৰ সকলো বিলাক কামকেই চাদা কাপোৰ পিন্ধাই পুলিচ বিভাগৰ হতোৱাই কৰাইছিল। ভাৰতৰ যি কোনো ঠাইৰ মন্ত্ৰী সকল আহিলে ৰাইজে গোট খাউক বা নাখাউক চাদা পোচাকত পুলিচ গোটাই সেয়া ৰাইজ বুলি হিচাব দিয়ে। এনেকৈ ৰাজনৈতিক দলে পুলিচ ব্যৱহাৰ কৰিলে পুলিচৰ চৰিত্ৰ কেতিয়াও ভাল হব নোৱাৰে। পুলিচ বিভাগটো সাধাৰণতে ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত থাকিব লাগে। এই বিষয়ে পুনৰ দোহাৰিছো। পুলিচ বিভাগটো এনেধৰণৰ কামত লগোৱা হৈছে অৱশ্যে আমাৰ পুলিচবিভাগটোৱে আগৰ কেন্দ্ৰীয় চৰকাৰৰ পুলিচ বিভাগৰ লগত সম্বন্ধ ৰাখি কাম কৰিছিল। এনেকুৱা ঘটনা ঘটিছে জৰুৰীকালিন অৱস্থাৰ সময়ত শ্ৰীমতী আৰতি নামৰ এজনী ৬ বছৰীয়া ছোৱালী "(অসমৰ নহয় বাহিৰৰ কথা কৈছো) জেলত

থোৱা হল । জেলত ৬ বছৰীয়া ছোৱালী জনী থৈ পুলিচে মাৰপিট কৰিছিল । কাৰণ আছিল এই ছোৱালীজনীৰ মাক আছিল বিপ্লবী । এই ছোৱালীজনী আছিল মাকৰ একমাত্ৰ সন্তান । মাকক ধৰিব নোৱাৰী ছোৱালীজনীকে ধৰি আনি মাৰপিট কৰিলে । কাৰণ মাক আছিল আণ্ডাৰ গ্ৰাউণ্ড । মাকে পিচত ছোৱালজনীৰ চেনেহত ধৰা দিলে । তাৰ পিচত মাক জীয়েক দুয়োজনীকে জেলত থলে । এই ছোৱালী জনীকো খালাচ নিদিলে । কাৰণ দেখুওৱা হল যে ছোৱালী জনী খালাচ দিলে মাকে জেলৰ পৰা পলাই গৈ আকৌ আন্দোলন কৰিব । থিক তেনে-কুৱা ধৰণেৰে অসমৰ গৃহ বিভাগেও কাম কৰিছে । জৰ্জ ফাৰনানদেজৰ নিচিনা মানুহৰ মূৰৰ তালুৰ ওপৰত ১০০ পাৱাৰ বাল্বৰ পাৱাৰ ৩৬ ঘণ্টা ধৰি একেৰাহে দি ৰাখিলে যাতে তেখেতৰ মগজ বেয়া হৈ যাব পাৰে আৰু ব্ৰেইন ৱাচ হব পাৰে । তেওঁৰ বৃদ্ধ মাকৰ ওপৰত অত্যা-চাৰ কৰিলে । ভায়েকক জীৱনৰ কাৰণে ঘুনীয়া কৰিলে । কেন্দ্ৰত যি ধৰণেৰে পুলিচ বিভাগটো লগোৱা হৈছিল অসমতো পুলিচ বিভাগটো থিক তেনেধৰণেৰে লগোৱা হৈছিল । কেন্দ্ৰত চৰকাৰৰ পৰিবৰ্ত্তণ হোৱাৰ লগে লগে পুলিচ বিভাগটোও পৰিবৰ্ত্তণ হব বুলি আশা কৰিছো । অসম চৰকাৰ যদিও পৰিবৰ্ত্তণ হোৱা নাই অসম চৰকাৰে বৰ্ত্তমান যি আয়ুস পাইছে এই সময় ছোৱাৰ ভিতৰতেই পুলিচ বিভাগটো পৰিবৰ্ত্তণ কৰিব বুলি মই ভাবিছো । জৰুৰী অৱস্থাৰ সময়ত অযথা মানুহ বিলাকক জেলত ভৰাই থৈ প্ৰায় ২৫ হাজাৰকৈ টকা পৰিয়াল বৰ্গৰ ভৰণপোষণৰ কাৰণে দিবলগীয়া হৈছিল । জৰুৰী অৱস্থাৰ সময়ত পুলিচে কৰা জুলুম বা স্বভাৱৰ পৰিবৰ্ত্তন সাধণ কৰিবৰ কাৰণে আৰু এই ধৰণৰ জোৰ জুলুম নকৰিবৰ কাৰণে আজি গৃহ বিভাগে নিৰ্দ্দেশ দিব লাগে বুলি দাবী কৰিছো । অপৰাধ কমা নাই । অপৰাধ বাঢ়ি-ছেহে আন ঠাইৰ কথা মই নকওঁ গোলাঘাটত যোৱা দুই তিনি

বছৰে অপৰাধ বাঢ়িছেহে। গোলাঘাটৰ কমাৰবন্ধা নামৰ সৰু ঠাই খনত যত মাত্র ১০।১২ হাজাৰ মানুহ আছে তাতে বছৰি ১০।১২ ট্রাকৈ ডকাইতি ঘটনা ঘটিছে। গোলাঘাট পুলিচ থানাৰ মালখানাৰ পৰা হাতী দাঁত হেৰাল। গোলাঘাট জেলৰ লোহাৰ আলমাৰি ভাঙি টকা লৈ গল। বহুতো মনুহৰ গোলাঘাটত হত্যা হৈছে। পুলিচ থানাৰ কাষতে বজাৰৰ দোকানত চুৰ হৈছে। এই ধৰণৰ ডাঙৰ ডাঙৰ ঘটনা হৈছে কিন্তু কাকো ধৰিব পৰা নাই। মই সিদিনাও উল্লেখ কৰিছিলো গোলাঘাট পুলিচ থানাৰ মাল গোদামৰ পৰা হাতী দাঁত চুৰি হল। গোলাঘাট জেইল থানাৰ পৰা লোহাৰ পেৰা ভাঙি চুৰি হল তাক উদ্ধাৰ কৰিব নোৱাৰিলে। এই বিলাক ধৰিব পৰা নাই কিন্তু হোজা মানুহ বিলাকক পাচপর্ট নাইকীয়া বুলি কৈ গধুলি এক দুই টকা ৰূপ দিব লাগিব বুলি কৈ আহে। কৰবাত চুৰ হৈছে। কৰবাত মাৰপিট হৈছে, কৰবাত হত্যা কৰিছে সেইবিলাকৰ আচল অপৰাধিক ধৰিব পৰা নাই তাৰ ঠাইত যাকে তাকে এৰেষ্ট কৰি কেনেকৈ টকা পায় তাৰ ব্যৱস্থা কৰিছে। পুলিচ থানালৈ মানুহ মাটি অহাতো বন্ধ কৰিব লাগে। পুলিচ থানালৈ মানুহ মাতি আনি দুর্নীতি কৰাতো বন্ধ কৰিব লাগে। জামিন দিয়াৰ ক্ষেত্রত পুলিচৰ ৰিপর্ট দিয়াৰ ক্ষেত্রত পুলিচে যি কাণ্ড কৰিছে সহিব নোৱাৰি। সকলোতে কৰিছে নে নাই কব নোৱাৰো কিন্তু এনেকুৱা কৰিছে যে শুদ্ধ গোছৰ তৰাত পইচা পাতি লৈ অশুদ্ধ বনাই মানুহ কেনেকৈ সাৰি যাব পাৰে তাৰ ব্যৱস্থা কৰিছে। আমি বিধান সভাত প্রশ্ন কৰোতে অপৰাধী সম্পর্কৰ প্রশ্ন বিলাকত যি বিলাক প্রতিবেদন পুলিচ বিভাগৰ পৰা আনে সেই বিলাকত বহুতো ভুল থাকে। বহুত সময়ত যদি ডাক্তৰৰ ৰিপর্ট অনা হয় আৰু পুলিচৰ পৰাও ৰিপর্ট অনা হয় তেতিয়াহলে দেখিব যে দুয়োটা ৰিপটত পার্থক্য থাকে।

কাৰণ ডাক্তৰে প'ষ্টমৰ্টমে কৰি ৰিপৰ্ট দিয়ে আৰু পুলিচৰ পৰা যিটো ৰিপৰ্ট আছে সেইটো তাৰ ওলোটা হয়। গতিকে চৰকাৰে মাৰ্ডাৰ বা অপৰাধৰ ক্ষেত্ৰত কেৱল পুলিচৰ পৰাই নহয়— ডাক্তৰৰ পৰাও যদি লোৱা হয় আৰু যদি সেইটো চালিজাৰি চোৱা হয়—তেতিয়া তেনেই শুদ্ধ ৰিপৰ্ট আমি নাপাওঁ। মই বেছি কথা নকও কাৰণ কালিও কৈছো। শেষত পুনৰবাৰ কৈছো পুলিচ আমাৰ থাকিব যেতিয়াই যি চৰকাৰে থাকক পুলিচ বিভাগৰ নাম বদলিব পাৰে—কিন্তু এই বিভাগটো থাকিবই। কিন্তু এই বিভাগৰ গঠনৰ পৰিপ্ৰেক্ষিতত সমাজে গ্ৰহণ কৰিব পৰাকৈ মাক-বাপেকে নিজৰ লৰাছোৱালীক মৰম কৰাৰ দৰে সমাজৰ মৰম চেনেহ পাব পৰাকৈ পুলিচ বিভাগটো পুনৰ গঠন কৰিব লাগে। এইখিনি কথা ৰাখি মোৰ মন্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Balabhadra Das :—Mr. Deputy Speaker, Sir, this is a discussion relating to the police forec of the State. Police is a necessary force for the maintainence of law and order, Because of the present perborances of the Govt. police has a very enerous function to perform today. In normal period the utility and value of police is not realised by the people. Then Police people are very much looked down upen and they are treated as expleiters of the people, but during the time of failure of administration, polie is the only force which is the rise to the occassion and restore and revive normalcy of the administration. You will appreciate, Sir, during the tenure of this Govrnment in the year 1972 in the month of October there was

failure of the Government, and as a matter of fact all our Ministers either voluntarily or were compelled to leave the State and took shelter in Shillong in the State of Meghalaya, Then who were moving in the streets of the cities and villages; who were those personas ? These were the Police persons only. I noticed that situation with greate anxiety, and whatever little I learnt about administration of the State and what is law and order, I learnt from then Sir, I had the privilege of going through some of the secret documents of this Government at that time because I had the opportunity of defending this Government before the Enquiry Commision which was set up for the failure of the administration at that time. It was the atudents who initiated the movement and later on it was the public who accepted it. We in the Governament are the creation of democracy; we are the slave of the people we are here, the Chief Minister is here the Home Minister is here as the people want us to be here. We are here today, tomorrow morning we may not be here if the people do not went us. Sir, our people have realised it now. Formerly when there was change of Government lots of people were killed, lots of soldieres were killed. It was Mahatma Gandhi who gave us freedom without battle, without

burning of cities, without the rampage force without the death of thousands and lakhs of people. Indian people shed their blood for attaining freedom. Those who were killed in freedom movement one termed as freedom fighters, Those who suffered for attainment of freedom are called political sufferers. Some day when I have time I shall speak about the freedom fighters and political sufferers and what they gave to the country and what the Government is giving to them. Sir, Hitler was very powerful at one time: He was the symbol of power. When I was reading in school, anybody who was showing temper and gallantry was called Hitler. Priod to that also there was one man in France. He was Nepolean a man which great determination and boldness. These are the historic figures: In India also some people have become powerful some with constitutional power and others without any constitutional power which is termed as Extra constitutional contres of power. Such people would have been shot dead in any other State, Hitler would have been killed, but he did not leave that task for his enemies. Hc killed himself. Not only that his wife whom he married three hours before death was also advised to kill herself. Hitler

being an intelligent man thought that he must not be put to death by his enemices nor his wife. What happened to Mussolini. Not only he was killed but the people even did not tolerate his dead body.

He was a powerfull man. The human power is very limited and it is very transitory. I do not know what will happen to me tomorrow. So, Sir, this is the background of the administration. There was emergency in this country. But this is nothing before Hitlar's Gas chamber. In this contry during the emergency, people who entered by a jail gate could also come back through the some jail gate. The people who had to enter the jail gate during emergeney, they came back through the same jail gate and today they are on the 'Masnad' of Delhi. But in Hitlar's gas champer, once a person entered it, he could never come back in life. But ultimately Hitlar had to commit suicide. Today Indian people have given verdict in 1977 on 16th, 19th, 20th and 21st March in the ballot box, these very people also gave verdict in the years 1971 and 1972. But their verdict diferes now. Why ? Are they not the same Indian people who give verdict before and now ? Are they people belonging to America or Russia or China from

where they entered into India ? Certainly not. At-last I am sure of this, because the Police is the custodians and they will tell us whethere there have been mass emigration and mass trespasses. I think, the Police will not say that there has been mass emigration and mass trespasses. The same people are living in India. Why then there minds have changed ? It is the wisdom of the Indian people; it is tradition of the Inlia people and history of the Indian people and history of the Indian people. India is India; India is not Indira. India is there from time immemorial. In Delhi there are burials; half of Delhi is graveyard. I had been to Cairo. While entering Cairo from the airport, there are graveyaras on the entire route. Why ? The thing is the ancient citizens of that civilized Egypt are lying in the gaves According to Muslim faith, they will rise on the Day of Judgement.

When the Agriculture Minister was going, one contractor caught hold of him and asked what is about Rs. 3 lakhs ? That would be separate issue to meet his query. I will request him not to be so much anxious; I will come to deal with him afterwards. Now, half of the this ancient civilisation are

lying there. Not all of the ancient civilised people are in the same grave; some are in the British graveyard These cultured and civilised people of the ancient world the Egyptian Mummies are there, they are in the Pyramids. But the British people they took away the mummies and these are in the British museum in the Russel Street of London. If on the Day of Judgement. half will rise according to Muslim faith, they will also come out of the Pyramids; rather all the rulers of the ancient Egypt and not all the ancient Muslim citizens, will rise. Now, this is the wisdom of the Indina people; they chauged their verdict. The people are always there, these are not people coming from China to oust the ruling party and to place a government fromed by those persons who went to jail by a gate and who come out from the some jail gate. Now, these people are in the Masnad of Delhi. Sir, this Police organisation was not created by the Congress government. After transfer of power in the midnight, this organisation was established by the British Government and the British government created this Force, and according to the Police Manual which comprised of some volumes, it is a disciplined Force But this disciplined Force can be used in any way. Shri Dulal chandra Barua, hon' member also said many-

things about the Police. Sir, this is a machinery and this has to work. If they do not obey the ruling party, they would be punished and then they would be without food and if they do not obey, there will be charge of deriliction of duty against them. Certain excesses have been done somtimes by the Police at their Masters' voice and command. Hitler committed excesses and he had to suffer, Mussolini committed excesses and he also had to suffer. If somebody misuses ot makes abuse of his power, then he will have to suffer for this. This is the process of Nature. Till so far, none has been able to stop this. Since the days of Kurukhetra and Hastinapur and Ramayana and Mahabharata, these are repeatedly happening. Till now none could stopt it. No Scientists of America or Russia till today can find out any solution to this. This is a basic thing, the peoples mind change, this is a psychological qustion. The working of mind cannot be halted like a stay order, it goes on in its own way it is not static like a stay order it is dynamic. If this done then the problem will be solved like that. Once I met one of our veteran Congress leader, Shri Debeswar Sarma who was a Member of this House itself. Sometimes as Hon'ble Member, sometime

as Speaker and in different role he has extended valuable services in this House. Shri Sarma said to me— Mr. Das, I have got two experiencs in this House when I worked against the British regime and acted under the leadership of Mahatma Gandhi. When I acted against the British people and then the police came and humiliated me. We had to sacrifice a lot and we were successfull in our struggle to drive away the British people. Now, again our police has come to trauble us. I said—"You are a very respectable man of our society, we respect you. He was arrested on 28th October, 1976 and he did not know on whose recommendation and under what offence and on what ground this 80 years atleast old man was arrested what mischief he had done to the country and on what ground he was arrested. He said while I taken from one jail to the other I was humiliated and bad behaviours and others. Sir, a person of his age, of his posion and age should have been respected. Even if he was to keep under detention he should have been handled nicely. Even then I feel that decency should have come from the top to the lowest of the police organisation and that the respectable persons should have been honoured. They ought not to have behaved in that way. Another in-

stance also that it happened in March or April, 1976. In Nowgong jail some persons were arrested once is Shri Deben Dutta. They were released on 23rd April, 1976. The internees used to hold meetings inside the jail itself. They were given a wrong hope that they will be given to go out of the jail and accordingly they were spending a sleepless night hoping that he will be going home and meet his family and children and remained in high hopes but they were again put tnto jail after going out of the jail for a few steps. Thus their detentions were continued, and he was released and again after 3 days he again came back. M. I. S. A. was the law at that time and why you have put them into the jail in that way.

Likewise, in Nowgong one Shri Nurul Huda who was a man of some position. He was journalist and a little bit educator and Shri Nagendra Nath Datta he was also a man of some position and he was a respectable man in his locality and one kalyan Bhattacharyya they were released from Nowgong jail on 18,6.76. The government hed every right to datain a person and even the M. L. As of this house were detained and they were also not speared. Three M. L. As

of this House were kept under detention in the jail. These M. L. As had a society, they had also a group, he had also some position in the society and government should have seen this and accordingly ought to have instructed the Police department officials from top to bottom so that the arrested people may not be unnecessarily harassed humiliated. What is the use of torturing these people and to give them harassment in the hands of the policemen. The people were taken to the police station and new cases were registered against them. There was no reason of releasing them. Why this administration was so rude: They should not have been done in a manner that this government harassed them. The police personnal should not have behaved like that. At the some time the police people had certain difficulties in exercising their duties I am giving one instance. I do not want to blame him of course. The police people are oppressed by the Congress people.

Shri Giasuddin Ahmed :—What is your area ? Do you visit your constitutency. You state at Gauhati.

Shri Balobhadra Das : — Not to speak of my visiting my constitutency I had the occasion of visiting

the Hon'ble Member's constituency also at the time of election: I went to visit various are there. Once the Village cangress President called the Police ASI: While he was taking the truck and the accused to the court the violator of the law entered the Congress office and the President of the Congress called A. S. I. and he was abused—you cannot catch the thieves, you take bribes, you harass innocent persons I was also there in the town but not in the place of occurence. The General Secretary of the Pradesh congress Committee was there. They immediately approached the Home Minister and falsely representee to the Home Minister that they should be immediately transfered and suspended. I was there — I was reported by another congressman that this is a bad thing, this will tell upon the congress organisation and affect theelection. I went to the police station and told them that there may be hartal the next day, better you release those persons, release those goods and I take the full responsibility of the case. I contacted the Home Minister and told him this is the position; your force has rightly detected the case and it was not the duty of the President of the District congress to threaten the police. If we threaten the police publicly how can they discharge there duties.

I could convince the Home Minister and he also verified it from the Civil S. D. O. that the congress people were at fault and he was pleased not to take any action and thereby the morale of the police personnel remained intact. Police is a necessary force. Say for instance many leaders and I myself here condemned the High Courts and others but when there is an order from the Central Govt. for dissolviog nine Assemblies they asked the Supreme Court for a verdict. We humiliated the judges. Suppose I am a poor man and my enemies are very strong, then I must seek the help on the police; court and the judiciary. Today the congress Chief Minsters have sought help from the judiciary. Today I am weak, tomorrow I may be strong. There will always be two classes of people in the contry a weak section and a strong section. So the police are needed by the weak people, oppressed people. They are not to be criticised by the congress people, they should be allowed to exereise their powers. A few days back in my area there was a marpit between a Hindu boy and a Muslim boy about purchase of a cinema ticket. I met the public and told them that I will ask the police to make an effective settlement, I

will ask them to spare nobody and take their own decision as admistrators. They agreed and I told them that if the S. D. O or police officers misuse their power I take up the matter and persuaded them to settle the matter. Then the S. D. O. sttled it amicably I told the S. D. O. that I will not interfere — you do what is to be done and if the people want to make a communal riot I will stand between them and they will have to kill me first. Then the people told me this riot was avoided and the matter was settled amicably. With these close my speech, Sir.

* শ্ৰীপিটসিং কোঁৱৰ :—মাননী উপাধ্যক্ষ মহোদয়, পুলিচ বাজেটৰ শিতানত যিটো কাট্‌মোচন আনিছে তাৰ সমৰ্থনত মই কেইটামান কথা কব খুজিছোঁ। মাননীয় এইজন মন্ত্ৰীৰ দিনত এই বিভাগটোৰ কোনো ষ্টেণ্ডাৰ্ড বঢ়া নাই। বাইজে যি খিনি সহায় সহানুভূতি এই বিভাগৰ পৰা পাব লাগিছিল সেইখিনি পোৱা নাই। ওপৰৰ ফালৰ পৰা কিছুমান ইণ্ডাজেন্স দিয়া হৈছে। কিছুমান সুবিধা কৰি লবলৈহে দিয়া হৈছে। টকা পইচা যদি কোনোবাই কৰে কৰি লওক। গাঁৱৰ মানুহে কিবা এটা কেছ আহিলেও সেই সকল লোকক ফাষ্ট ক্লাছ গাড়ীত হে অনানিয়া কৰিব লাগে। অনুসন্ধান কৰিবলৈ গৈও দুয়োটাপাটিৰে টকা পইচা খাই শেষত কামটো ফোচ্ ফাচ্ হয়গৈ। বছৰ বছৰ ধৰি কেছ পৰি থাকে। আমাৰ লাহৰীঘাট থানাতে সমবায়ৰ চেনী

* Speecd not corrected

চুৰ ধৰা, টকা আত্মসাৎ কৰা ইত্যাদিৰ কেছ আদি বহুতদিনৰ পৰাই পৰি আছে। প্ৰশ্নৰ আকাৰেও এইকথাটো উত্থাপন কৰা হৈছে। কিন্তু তাৰ উত্তৰহে অহা নাই। পুলিচ অফিচাৰ বিলাকৰ পৰাও কোনো ৰিপৰ্ট আদি অনা নাই। এই ধৰণে দিন চলিলে কেনেকৈ হব ? আনকি তিনি চাৰি মাইলৰ অন্তৰলৈকো কোনো পুলিচ নেযায়। তাৰোপৰি, আমাৰ অগ্নিনিৰ্ব্বাপক বাহিনী বুলি এটা বাহিনী আছে।

Mr. Deputy speaker : - I cannot allow it you sacrified your them. But it you all agrce.

* শ্ৰীপিটসিং কোৱৰ :—মাননীয় সদস্য শ্ৰীঅম্বৰিশ লাহৰী আদিয়ে কোৱাৰ দৰে অকল ভামুলপুৰলৈকে নহয়, সমতাৰ ভিত্তিত বিভিন্ন জাগাত এইবিলাক প্ৰতিষ্ঠা হব লাগে। এই বিভাগটো ঠিকমতে কিছুমান জাগাত নোহোৱাৰ কাৰণেই অগিকাণ্ডৰ ফলত বহুতোবিলাক লোক ক্ষতিগ্ৰস্ত হবলগীয়া হৈছে। গতিকে এনেকুৱা চেণ্টাৰ দুই এটা মাজে মাজে হোৱাটো উচিত হব। পুলিচ, চি, আৰ, পি আদি এনেকৈ বাঢ়িবলাগিছে যে, এইখন এখন ওৱেলফেয়াৰ ষ্টেট নহৈ পুলিচ ষ্টেটহে হৈছে। সকলো ঠাইতে কেৱল পুলিচেই পুলিচ। মন্ত্ৰী সকল গলেই পুলিচ আছেই। বেচেৰাহঁত লাখুটি এডাললৈ বৈ থাকিব লগীয়া অৱস্থা। মন্ত্ৰী নগলেও বেচেৰাহতঁ বৈ থাকিব লগা অৱস্থা হয় ভোকেলঘোনে গোটেই দিনটো। অকল মন্ত্ৰীসকলৰ ক্ষেত্ৰতে নহয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰথম অৱস্থাত পুলিচ নহলেও হববুলি কৈছিল কিন্তু পিচত কংগ্ৰেছ পাৰ্টিয়ে কলে হবলা গতিকে পুলিচ লৈ ফুৰা হল। মুখ্যমন্ত্ৰীয়ে, গৃহদপ্তৰৰ মন্ত্ৰীয়ে

*Speech not corrected

পুলিচ লয় সেইটো বেলেগ কথা আনকি কোনো এম, এল, এইও কমিটিৰ চেয়াৰমেন, ভাইছচেয়াৰমেন হিচাবে পুলিচ লৈ ফুৰা, দেখা যায়। পুলিচ থাকিলে যেন অলপ ওপৰত এইটোকে দেখুৱাব খোজে। এই বিলাকৰ পাছে পাছে পুলিচ ঘুৰি ফুৰে যদিও মনটো হলে তেওঁবিলাকৰ সেমেকা। কিন্তু গৃহমন্ত্ৰী যেতিয়া যাব তেতিয়া অলপ কুচকাৱাজ দেখুৱাবলৈ কয়। কিন্তু চৰকাৰে এনে কিছুমান কাম কৰোতে কৰোতে কোনো ভাল কাম হৈছে বুলি কব নোৱাৰি। যদি চোৰ ডকাইতি ক্ৰিমেন্যো ইত্যাদি ধৰাৰ কাৰণে এই পুলিচ বিভাগটো ভালধৰণে ব্যৱহাৰ কৰা হয় সেই ক্ষেত্ৰত টকা দিয়াত আমাৰ বিশেষ আপত্তি নাই। কিন্তু এম, এল, এ, মিনিষ্টাৰক আগ বঢ়াই অনাৰ কাৰণে যদি এই পুলিচ বিভাগ-টো ব্যৱহাৰ কৰা হয় তেতিয়াহলে আমি কেনেকৈ টকা দিম। (ভইচ) (আপুনিওতো এম, এল, এ)। মই কিন্তু ভাবো এই পুলিচ বিভাগটো নালাগে, ইয়াক উঠাই দিলেই ভাল হব কাৰণ এই বিভাগটোৰ কাৰণে যিমান বিলাক টকা পইচা খৰচ হয় সেইবিলাক জানো প্ৰকৃত পক্ষে দেশৰ মঙ্গলৰ কাৰণে কৰা হয়? মই ভাবো এই বিভাগটো দেশৰ গঠন মূলক কাম কৰাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ বিশেষভাবে নজৰ দিব লাগে। কেৱল এখন পুলিচ ৰাষ্ট্ৰ কৰিবৰ কাৰণে আমি চৰকাৰক টকা দিব নোৱাৰো। সেই কাৰণে মই এই কৰ্ত্তন প্ৰস্তাব সমৰ্থন কৰি এই মজুৰি-টোৰ বিৰোধিতা কৰি সামৰণি মাৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আৰক্ষী বিভাগৰ বিভিন্ন খৰছৰ সংক্ৰান্তত কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰি মাননীয় বিধান সভাৰ সদস্য কেইগৰাকীয়েও বিভিন্ন পৰামৰ্শ আৰু অভিযোগ

* Speech not corrected

সদনত উত্থাপন কৰিছে। মাননীয় সদস্য শ্ৰীবৰুৱাই পুলিচৰ অতিশস্যাৰ কথা কৈ শিৱসাগৰৰ এজন ছাত্ৰ শ্ৰীজয়ন্ত শৰ্ম্মাৰ এজন চিঠিৰ কথা উল্লেখ কৰিছে। সেই চিঠি খনৰ নকল মই এতিয়াহে পাইছো সেই অভিযোগ-বোৰৰ তদন্ত কৰিহে উত্তৰ দিয়াৰ সম্ভৱ হব।

তেখেতে কথা অন্য এটা অভিযোগ হৈছে এজন ব্যৱসায়ীক এৰেণ্টৰ ওৱাৰেণ্ট থকা স্বত্তেও এৰেষ্ট নকৰি এজন ব্যক্তিয়ে টকা ৪০ হাজাৰ অনাৰ কথা কৈছে। সেই ব্যৱসায়ী জনৰ নামো এতিয়া আপোনাৰ পৰা পালো। তদন্ত কৰি তাৰ উত্তৰ দিব পৰা হব। পুলিচ বিভাগৰ কাষ্টিজিম আৰু কমিউমেলিজিন কৰাৰ কথা কৈছে। পুলিচ বিভাগৰ সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ লোক নিয়োগ কৰা জনজাতি আৰু অনুসুচিত সকলৰ বেকলগ পূৰণ কৰাটো যদি সাম্প্ৰাদায়ীকতা কথা বুলি কব খুজিছে তেন্তে মোৰ কব লগা একো নাই। এই বিধান সভাই গ্ৰহন কৰা জনসংখ্যা ভিত্তিত নিয়োগৰ প্ৰস্তাবটো আৰক্ষী ৰিভাগত কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হৈছে। সেয়ে কমিউনেলিজিম আৰু কাষ্টিজিম কৰা কথাটো ভিত্তিহীন,

শ্ৰীবৰুৱা অসম মেডিকেল কলেজত থাকোতে তেখেতৰ পৰিবাৰ আৰু লৰা-ছোৱালীৰ লগত ব্যৱহাৰ কৰাৰ কথা কৈছে। এই বিষয়লৈ এজন মান্দলিক আয়ুক্তই তদন্ত কৰি আছে।

আন এটা অভিযোগ হৈছে এল, আই, টি ত কাম কৰা শ্ৰীসুনিল দাস আৰু শ্ৰীচৌধুৰীক পুলিচে ধৰি নি অতিশস্য কৰা। অভিযোগ মতে জিলা কতৃপক্ষই কৰা তদন্তৰ ভিত্তিতহে এই দুজন ব্যক্তিক পুলিচে এৰেষ্ট্ৰ কৰিছিল। তেখেত সকলক পুলিচে মাৰ ধৰ কৰাটো সচা নহয়।

এই বিষয়টো তদন্তাধীন হৈ আছে। এই গোচৰটোৰ সংক্ৰান্তত এজন ডেপুটি চুপাৰিনণ্টেত এ ৫ হাজাৰ টকা লোৱাৰ কথা কৈছে। এই অভিযোগটো তদন্ত কৰি সত্যতা পালে বিষয়াজনক শাস্তি দিয়া হব।

গুৱাহাটীৰ ট্ৰেফিক বিভাগে মাহে ৩০ হাজাৰকৈ টকা তোলা আৰু এ, আই, চি, টি কাৰণে ২০ হাজাৰ টকা সংগ্ৰহ কৰাৰ প্ৰমাণ আমাৰ হাতত নাই। শ্ৰীবৰুৱা ডাঙৰীয়াৰ হাতত প্ৰমাণ থাকিলে এই বিষয়ে তদন্ত কৰি নিশ্চয় ব্যৱস্থা লব পৰা যাব।

নিৰ্ব্বাচন সংক্ৰান্তত যোৰহাটৰ উপায়ুক্তক ৫ লাখ আৰু পুলিচ অধিক্ষকক ১০ লাখ টবা দিয়া কথাটো সম্পূৰ্ণ ভিত্তিহীন।

এদিচনেল এচ, পি, শ্ৰীদেৱব্ৰত চৌধুৰী গুৱাহাটীত ১৯৭৩ চনৰ পৰা আছে। ১৯৭৩ চনৰ ডিচেম্বৰ মাহত তেওঁক বদলি কৰাটো সচা কিন্তু ৰাজহুৱা স্বাৰ্থৰ খাতিৰত তেওক কিছুদিনৰ বাবে ইয়াত ৰাখিব লগা হল। শ্ৰীবৰুৱাই কোৱাৰ দৰে শ্ৰীচৌধুৰী কোনো পোলেটিয়েল বিল্ডিং সজা নাই। চৰকাৰী ঋণ লৈ এটা অসম টাইপৰ ঘৰ সাজিছে।

কামৰূপ জিলাৰ এচ, পি শ্ৰীপ্ৰীয় নাথ গোস্বামীৰ সম্পৰ্কত অভিযোগ আনি কোৱা হৈছে যে তেখেতৰ শহুৰেক এজন ডাঙৰ কংগ্ৰেছী। এই কাথখিনি সভৎ নহয়। তেখেতৰ শহুৰেক শ্ৰীগোস্বামীৰ পৰিবাৰ জন্ম হোৱাৰ আগতেই ঢুকাইছিল। অসম পুলিচ চাৰ্ভিচৰ কোনো বিষয়াক গুৱাহাটীত এচ, পি কৰি ৰখাত কোনো বাধা নাই।

শ্ৰীকালীৰাম দেৱ শ্ৰীবৰুৱাই কোৱাৰ দৰে ১১ বছৰ এ, আই, জি হৈ থকা নাই ১৯৪৭ চনতহে তেওঁ এ, আই, জি হৈছে। পুলিচ

বিভাগৰ সকলো বয়বস্তু চৰকাৰে গঠন কৰি দিয়া পাৰচেচ্ বৰ্ডৰ পৰামৰ্শ অনুযায়ীহে আই, জি, পি ক্ৰয় কৰিব পাৰে। কে, আৰ দেৱ এই বৰ্ডৰ সদস্যই নহয়। সেয়ে বয়বস্তু কিনাৰ ক্ষেত্ৰত তেখেতক জগৰীয়া কৰিব নোৱাৰি। অভিযোগ অনাৰ দৰে টায়াৰ-টিউৰ চেণ্ট্ৰেলাইজদ চিষ্টেমত কিনা নহয়ী জিলাসমূহতে কিনে। ৪ৰ্থ, ৫ম আৰু অষ্টম বেটেলিয়েনৰ নিবিদা বিলাক দিপাৰ্টমেণ্টেল পাৰ্চেজ বোৰ্ড এ স্কুটিনি কৰি দিছিল আৰু তেওঁলোকৰ অনুমোদন মতেহে বস্তু কিনা হৈছিল। ৪ৰ্থ বেটেলিয়ানৰ বস্তুখিনি সময়মতে ব্যৱসহাৰ কৰিব নোৱাৰাটো সচা সেই বিষয়টো এটি কৰাপচন বিভাগহে তদন্ত কৰি আছে।

অভিযোগ কৰাৰ দৰে মনিশ চৌধুৰী আৰু সুশিল দাসৰ সংক্ৰান্তত দি, আই, জি (এচ, বি) ৰ কোনো সম্পৰ্ক নাই। পুলিচ বিভাগৰ বদলিৰ সংক্ৰান্ততো তেওঁৰ কোনো কতৃত্ব নাই। পুলিচ বিভাগৰ সকলো বদলি আই, জি, পিৰ পৰামৰ্শত গৃহবিভাগে কৰে।

ডঃ গোস্বামীয়ে ভালেখিনি পৰামৰ্শ আগবঢ়াইছে। আধুনিকৰণ আচনিৰ জৰিয়তে ক্ৰয় কৰা কম্বল, টেব ৰেকৰ্দাৰ সম্পৰ্কত তেখেতে যিখিনি অভিযোগ আনিছে সেইখিনিৰ ব্যৱস্থা লোৱা হব।

দি, আই, জি (এচ, বি) ৰ ফালৰ পৰা ঘৰ সজাৰ কোনো তথ্য পাতি আমাৰ হাতত নাই। এছ, বি ৰ হেড কোৱাট্াৰত যিখিনি ঘৰ সজা হৈছে এ, জি; চি, চি আৰু বিভাগীয় ঠিকাদাৰ সকলে কৰে। তেখেতে নিজে কোনে ঘৰ সজাৰ বস্তু নিকিনে। সেয়ে এই ক্ষেত্ৰত দি; আই, জি (এচ, পি) ক জগৰীয়া কৰিব পৰা নাযায়।

ডঃ গোস্বামী ডাঙৰীয়াই অনা আৰু এটা অভিযোগ হৈছে যে মাউণ্টেন প্লেটোন ৰ প্ৰশিক্ষণ দিব পৰা ব্যক্তি আৰু সিংহ ৰ বাহিৰে আৰু কোনো নাই। তদন্ত কৰি জানিব পৰা গল ইতিমধ্যে আমাৰ ফালৰ পৰা এজন বিষয়াৰ এই বিষয়ে প্ৰশিক্ষণ দি অনা হৈছে।

তেখেতৰ আন এটা অভিযোগ হৈছে ঘৰ সজা আচনিৰ জৰিয়তে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা পাইছো সেই টকাৰে উচ্চ পদশ্চ বিষয়াৰ ঘৰ সজা হৈছে। ঘৰ নিৰ্ম্মন আচনিৰ জৰিয়তে যিখিনি ঘৰ সজা হৈছে সেইখিনি কনষ্টেবলৰ পৰা ইন্সপেক্টৰ পৰ্য্যায়লৈ হে। আৰু ১৯৭১-৭২ চনৰ পৰা এতিয়ালৈকে মুঠ ২২৪৭ টা এনে ইউনিট এৰা হৈছে। ডঃ গোস্বামীয়ে কোৱা পি, ডব্লিউ. দি শিতানত থকা ঘৰ সজাৰ টকা খিনি ইতিমধ্যে আই, জি, পি ৰ নামলৈ ট্ৰেন্সপাৰ কৰি এ, জি, চি, চি ক ঘৰ সাজিবলৈ দিয়া হৈছে আৰু চুক্তিবদ্ধ কৰা হৈছে।

কম্বল সংক্ৰান্তত চাব কমিটিয়ে দিয়া পৰামৰ্শ গ্ৰহণ কৰা হৈছে আৰু আলিপুৰ টেষ্ট হাউচলৈ এক্সপাৰ্ট অপিনিয়নৰ কাৰণে পঠোৱা হৈছে।

অধ্যক্ষ মহোদয়, যি ২।৪ খন কম্বল বেয়া আছিল সেই কেই খন বদলি কৰি দিয়া হব। তাৰ পিচত এই বিষয়টো আমি পাব্লিক একাউণ্ট কমিটিলৈ পঠোৱা হৈছিল আৰু এই বিষয়ে আলোচনা কৰা হৈছিল। যি কি নহওক, পাবলিক একাউণ্ট কমিটিৰ পৰামৰ্শৱলী আলিপুৰ টেষ্ট হাউচলৈ পঠোৱা হৈছিল। অৱশ্যে কিছু প্ৰচাৰ হোৱাটো সচা।

এচ, পি, ভিজিলেন্স চিলিঙত যিটো টেলিফোন ব্যৱহাৰ কৰিছে

সেইটোৰ খৰচ তেখেতে নিজে বহন কৰে। তেখেতৰ নিজা ঘৰটো মাহে ৩৫৭ টকাত ভাড়া থকাটো সঁচা। যি সকলে নিজৰ ঘৰত নেথাকি চৰকাৰী ঘৰত থাকে সেই সকলৰ সংক্ৰান্তত যি নতুন বিধি কৰিছে সেই চিঠি তেখেতৰ ক্ষেত্ৰত বলবত কৰাৰ ব্যৱস্থা লোৱা হৈছে। চৰকৰী গাড়ী ব্যৱস্থা কৰাৰ ক্ষেত্ৰতো অন্য বিষয়াৰ ক্ষেত্ৰত যি নিয়ম খাটিছে তেখেতৰ ক্ষেত্ৰত সেই নিয়ম যাতে আৰু চিলঙলৈ যাবৰ সময়ত তেখেঁতে বিভাগীয় কৰ্তৃপক্ষৰ অনুমতি অথবা চুটি লৈ যায়।

শ্ৰীবৰুৱাই যি ৭ জন বিষয়াৰ বিৰুদ্ধে এন্টি কৰাপচন বিভাগে তদন্ত কৰাৰ কথা কৈছে। তাৰে ২ জন বিষয়াৰ ক্ষেত্ৰত প্ৰতিবেদন ৰাজনৈতিক বিভাগলৈ পঠোৱা হৈছে আৰু বাকী ৫ জনৰ ক্ষেত্ৰত তদন্ত চলি আছে।

শ্ৰীতুলাল খাউন্দ ডাঙৰীয়াই অনা গাওঁ পঞ্চায়ত সভাপতি জনৰ প্ৰতি দেখুৱা ব্যৱহাৰ সংক্ৰান্তত কথাটো তদন্ত কৰিবলৈ দিয়া হব। কমিনিষ্ট পাৰ্ট্ৰি অফিচলৈ যিজন বিষয়া যোৱাৰ কথা কৈছে তেওঁৰ নাম আনি দিলে নিশ্চয় তদন্ত কৰিম। গোলাঘাটৰ ধলাগুৰি বাগিচাৰ সংক্ৰান্তত কৰা অভিযোগৰ বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে। আৰু খাউন্দ ডাঙৰীয়াৰ অভিযোগটো সত্য হলে তেওঁলোকৰ ওপৰত শাস্তি দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীখাউন্দ ডাঙৰীয়াই অনা অভিযোগ বিলাকৰ বিস্তাৰিত বিতৰণ পালে যথাবিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই গোলকগঞ্জত হোৱা ঘটনাৰ সংক্ৰান্তত এচ, পিক জগৰীয়া কৰিছে। এই বিষয়টো যথাবিহিত ভাবে

তদন্ত কৰাৰ ব্যৱস্থা কৰা হৈছিল। গোৱালপাৰা অঞ্চলত সংঘটিত হৈ থকা ডকাইতৰ উপদ্ৰব সম্পৰ্কে তেখেতে যিটো অভিযোগ আনিছে সেই বিষয়ে চৰকাৰ সজাগ। এই বিষয়ত সীমান্ত পুলিচে ব্যৱস্থা লৈছে।

ডা: কোছেশ্বৰ বৰাই আগবঢ়োৱা পৰামৰ্শ কেইটা বিবেচনা কৰা হব। আমি ইতিমধ্যে অসম পুলিচ কমিচনৰ পৰামৰ্শৱলী কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত পুলিচ বিভাগৰ লোক সকলৰ প্ৰশিক্ষণটো গুৰুত্ব দিছো। ডেৰগাওঁ আৰক্ষি প্ৰশিক্ষণ মহাবিদ্যালয়, বিক্ৰুউট ট্ৰেইনিং স্কুল আৰু আমদট্ৰেনিং চেণ্টাৰত আমি যি প্ৰশিক্ষণ দিছো সেই প্ৰশিক্ষন কাৰ্য্যসুচিত কিছু পৰিবৰ্ত্তন সাধন কৰি কেতবোৰত নতুন পাঠ্যক্ৰমত ব্যৱস্থা কৰা হৈছে। আধুনিক বৈজ্ঞানিক প্ৰগতিৰে অনুসন্ধান চনাবৰ্থন আৰু জনসম্পৰ্ক গঢ়ি তুলিবলৈ নতুনকৈ প্ৰশিক্ষণ দিয়া হৈছে। আমি ক্ৰমান্বয়ে এই পুলিচ বাহিনীটোক বুলাচ পুলিচৰ পৰা পিপুলচ পুলিচলৈ পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা চলাই আছো।

শ্ৰীসোনেশ্বৰ বৰাই এটা অভিযোগ আনিছে যে ডিব্ৰুগড় এলেকাৰ থানা বিলাকৰ জৰিয়তে কংগ্ৰেছ পুজিৰ কাৰণে ধন সংগ্ৰহ কৰা হৈছে। আৰু টিঙখঙ কংগ্ৰেছ ভৱনটো পুলিচে তোলা টকাৰ দ্বাৰা নিৰ্ম্মান কৰা হৈছে। এই অভিযোগ খিনি একেবাৰে ভিত্তিহীন। যদি টি বস্না হাতত এনে তথ্য আছে আমাক দিলে আমি এনেকাৰ্য্য বন্ধ কৰিম। ডিব্ৰুগড় জিলা পুলিচ কৰ্ত্তৃপক্ষই আমাক জনাইছে যে এনে অভিযোগ তেওঁলোকৰ হাতত নাই।

শ্ৰীবৰা ভেলেইজ ডিফেঞ্চ অৰগেনাইজেইচন ৰ চিফ্ এডভাইচাৰে নিজৰ বাৰীত ঘৰ সাজি ভাড়া লোৱাৰ কথা আৰু উচ্চ বাহিনীক দিয়া

বস্তু সমূহৰ মান নিম্ন স্তৰত বুলি কৈছে। এই বিষয়ে আমি তদন্ত কৰি বিহিত ব্যৱস্থা লম।

শ্ৰীবৰা ডাঙৰীয়াই কৈছে যে জহৰ নগৰত পুলিচক ঘৰ দুৱাৰ নিৰ্ম্মান কৰোৱাত লগোৱা হৈছে। পুলিচ ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হব লাগে।

অধ্যক্ষ মহোদয় জহৰ নগৰত সম্পৰ্কে ভালেকেইজন সদস্যই উল্লেখ কৰিছে আমাৰ মুখ্যমন্ত্ৰী মহোদয়, আৰু উপ-দলপতিয়ে এই সম্পৰ্কে উত্তৰ দিছে। অধ্যক্ষ মহোদয়, আমাৰ শান্তি শৃংখলা ৰক্ষ কৰিবৰ কাৰণে আৰক্ষী বাহীনি প্ৰয়োজন আৰু ৰাজ্যত যি ডাঙৰ ডাঙৰ সভা সমিতি আদি বহে সেইবিলাকত আৰক্ষী বাহিনী নিব লাগে। অকল জাতিয় কংগ্ৰেছ সভাতেই নহয় যেনে আমাৰ অসম সাহিত্য সভা বা যিবিলাক তেনে ধৰণৰ মহান অনুষ্ঠান সেইবিলাকলৈ আৰক্ষী বাহিনী পঠোৱা হয়। ৰাজ্যৰ বিভিন্ন সংস্থাই যিবিলাক সভাসমিতি পাতে সেই বিলাকলৈ আৰক্ষী বাহিনী বিচাৰিলে পঠোৱা হয়। শংকৰ সংঘৰ অন্যান্য খেলা ধূলা ক্ষেত্ৰত এই যিবিলাক সভা সমিতি পাতে সেই বিলাকলৈ খবৰ দিলে আমি আৰক্ষী বাহিনী পঠিয়াও। জহৰ নগৰত কংগ্ৰেছ কৰ্মী সকলৰ থকা মেলা যাতে কোনো ধৰণৰ সমস্যাৰ উদভৱ নহয় তাৰ বাবে দৃষ্টি ৰাখিবৰ কাৰণে আৰক্ষী বাহিনী পঠোৱা হৈছে। কাৰণ এই অধিবেষণলৈ আমি জনা মতে প্ৰায় ২০ হেজাৰ প্ৰতিনিধি আহিছিল। সেই প্ৰতিনিধি সকলে যাতে কোনো ধৰণৰ অসুবিধা নেপায় আৰু গুৱাহাটী চহৰখনতো যাতে কোনো ৰকমৰ বিশৃংখলতা নহয় তাৰ বাবেই জহৰ নগৰলৈ আৰক্ষী বাহিনী পঠিওৱা হৈছিল। ইয়াৰোপৰি অহা যোৱা কৰোতে গাড়ী মটৰ আদি নিয়ন্ত্ৰন কৰিবলৈ

আৰক্ষী বাহিনী প্ৰয়োজন হৈছিল ।

বৰা ডাঙৰীয়াই অপৰাধৰ কথা কৈছে যে গোলাঘাটত অপৰাধ দিনে দিনে বাঢ়িছে । ডকাইতি মাৰপিট আদি হৈছে আৰু মাল গুদামৰ পৰা হাতী দাত চুৰ কৰি নিছে । কিন্তু আমাৰ ৰিপৰ্ট মতে ১৯৭৪ চনত ৩৮২১ টা অভিযোগ আছিল ।

গতিকে অধ্যক্ষ মহোদয় চুৰি ডকাইতি একেবাৰে কমাব নোৱাৰিলও কিছু পৰিমানে যে কমিছে সেইটো ঠিক । কেতিয়াবা পুলিচ থানাত কোনো লোকে গোচৰ দিলে পুলিচে বহুতো সময়ত ঘটনাৰ সুগু সুত্ৰ উলিয়াবলৈ গৈ মানুহ মাটি নানা ধৰণৰ কথা পাতিব লগা হয় । গতিকে এই সম্পৰ্কত বৰা ডাঙৰীয়াই যি কেইটা পৰামৰ্শ আগবঢ়াইছে সেই কেইটা মই বিবেচনা কৰি চাম । ইয়াৰোপৰি তেখেতে দূৰ্নীতি কথা কৈছে । অধ্যক্ষ মহোদয়ে দূৰ্নীতি এই কথাটো এটা ব্যাপক ব্যধি । আজি পুলিচৰ অন্যান্য বিভাগৰ পৰা দেশৰ আইন শৃংখলা দায়িত্ব দিয়া হৈছে বাবেই আতৰ কৰি ৰাখিবলগীয়া হৈছে । আমাৰ বৰা ডাঙৰীয়াই পুলিচ বিভাগলৈ যি সকল লোক আহিছে সেই লোক সকল কৰ পৰা আহিছে তেখেতে জানে । নিম্ন পৰিবেশৰ যিসকল লোক সেই লোক সকলৰ গাওঁৰ পৰাই আহে । নগৰ চহৰৰ মানুহ সাধাৰণতে পুলিচলৈ নাহে । প্ৰায় বিলাক গাওঁৰ ডেকা লৰাই আৰক্ষী বাহিনীত সোমাবলৈ অহা দেখা যায় । আমি সকলোৱে জানো আৰু বৰা ডাঙৰীয়াইও জানে যে আমাৰ গাওঁত থকা ঘৰ খনতো দূৰ নীতি আছে । আমি ঘৰত খাবলৈ যিখিনি ধান মাৰো সেই খিনি ধান যিদৰে জৰা হয় বেচিবলৈ নিয়া ধান খিনিত জৰা নহয় । তাৰোপৰি বেচা ধানত কিছু পৰিমানে শিল আৰু ইটাৰ টুকুৰা মিহলি হৈ থাকে

বুলি অভিযোগ পোৱা হয়। সেইদৰে গাখীৰতো পানী দিয়া হয়। দূৰ্নীতি কৰা কথাটো সচাঁ। কিন্তু সেইটো আমি নিয়ন্ত্রন কৰিবলৈ চাব লাগে। অধ্যক্ষ মহোদয় আমি যদি প্ৰত্যেকেই ব্যক্তি হিচাবে নিকা নহয় তেনেহলে এখন সমাজ কেতিয়াও নিকা হব নোৱাৰে। এইখিনিতে মই এটা কথা চমুকৈ উত্থাপন কৰিব খুজিছো। আমাৰ এজন উচ্চ পদস্থ বিষয়া ইংলেণ্ডলৈ গৈছিল। তেওঁ পৰিবাৰ ইংলেণ্ড আৰু এজনী ৮ বছৰীয়াও আছে। তেওঁৰ পৰিবাৰৰ ককায়েক অৰ্থাৎ জেঠেবিয়েক স্কটলেণ্ডত থাকে। তেওঁৰ এটা ৬ বছৰীয়া লৰা আছে। এখেতৰ পৰিবাৰ ককায়েকৰ ঘৰলৈ গৈছিল। আৰু তেতিয়া তেওঁলোক চিনেমা চাবৰ বাবে এটা চিনেমা হ'ললৈও গৈছিল। চিনেমা হ'লৰ যিটো সন্মুখত যিটো ওৱেয়িং মেচিন থাকে সেই মেচিনত চাৰি পেনি ভৰাই দিলেই ওজনটো পোৱা যায়। ককায়েকৰ লৰা জনে চাৰি পেনি ভৰাই দি ওজনটো যেতিয়া লৈছিল তেতিয়া আমাৰ বিষয়া জনৰ ৮ বছৰীয়া ছোৱালীজনীও ওচৰতে আছিল। আৰু তাই কৈছিল তুমি তাতে থাকা একেটা পইচাতে মইও ওজনটো কৰো। এটা পইচাৰে দুইজনৰে কামটো হব। গতিকে দেখা যায় আমাৰ তেজতেই দূৰ্নীতি সোমাই আছে। মই ব্যক্তি হিচাবে নকওঁ আমি প্ৰত্যেকেই যদি নিকা নহও তেতিয়া হলে দূৰ্নীতি আতৰ কৰিব নোৱাৰিম। গতিকে দূৰ্নীতি আতৰ কৰা ক্ষেত্ৰত আমাৰ প্ৰত্যেকৰে দায়িত্ব আছে।

উপাধ্যক্ষ ডাঙৰীয়া এই ধৰণেৰে আমাৰ শিৰাই শিৰাই দূৰ্নীতি সোমাই আছে। কিন্তু কথা হ'ল ব্যক্তি নিকা নহলে সমাজখন নিকা কৰিব নোৱাৰি। ইয়াৰ কাৰণে আমি প্ৰত্যেকেই চিন্তা কৰা প্ৰয়োজন। দূৰ্নীতি নিবাৰণ কৰিব লাগিব আৰু তাৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিব লাগিব মই আশ্বাস দিছো যে তেতিয়াহলে দূৰ্নীতি নিশ্চয়

দূৰ হব। বৰা ডাঙৰীয়াই মানকাচাৰৰ কথা কৈছিল সেই ঘটনা সম্পৰ্কত বহুধৰণৰ খা-খবৰ আহিছে তাৰ উপৰিও আৰু বেচি খবৰৰ কাৰণেও ব্যৱস্থা কৰিছো আৰু ভাল ৰিপোৰ্ট আহিব বুলি আশা কৰিছো। বৰা ডাঙৰীয়াই আৰতি আৰু অসমৰ বাহিৰৰ জৰ্জ ফাৰ্ণাণ্ডেৰ নিচিনা অত্যাচাৰ চলোৱাৰ কথা কৈছে কিন্তু আচলতে অসমৰ ৰাজনৈতিক বন্দিসকলক আৰতি বা জৰ্জ ফাৰ্ণাণ্ডেৰ নিচিনা কোনো ব্যৱহাৰ কৰা হোৱা নাছিল। যি কেইটা অভিযোগ ভালে-কেইজন সদস্যই ইয়াত উত্থাপন কৰিছে সেই কেইটা তদন্ত কৰাৰ ব্যৱস্থা লৈছো আৰু মই জনামতে জৰুৰী অৱস্থা চলি থকা সময়ত কেইবা-টাও অভিযোগলৈ মোৰ লগত আলোচনা কৰিছিল আৰু সেই অভি-যোগ নাইকীয়া কৰিবলৈ মই চেষ্টা কৰিছিলো। এই খিনিতে মই এজন ব্যক্তিৰ কথা মই উল্লেখ কৰিব খুজিছো নামটো কোৱা উচিত নহব কিজানি। তেখেত এজন প্ৰাক্তন বিধান সভাৰ সদস্য শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ তেখেতে জৰুৰী কালীন অৱস্থাৰ সময়ত জেলত আছিল। মই তেখেতক সোধাত জেলৰ ভিতৰত ভাল ব্যৱহাৰ আৰু খাদ্য আদিও পোৱা বুলি কৈছিল। আচলতে আমি ৰাজনৈতিক বন্দি সকলৰ ক্ষেত্ৰত কোনো কৃপণালী কৰা নাছিলো। মানসিক অশান্তি আছিল আৰু সেইটো স্বাভাৱিক সেই কাৰণে বহুতে বহুত অভিযোগ দিছে। আমাৰ ফালৰ পৰা কিন্তু কোনো ধৰণৰ বেয়া ব্যৱহাৰ নকৰিবলৈ বিষয়া সকলক কোৱা হৈছিল। তথাপিতো যি কেইটা অভিযোগ মাননীয় সদস্য সকলে আনিছে সেইকেইটা তদন্ত কৰাৰ ব্যৱস্থা কৰিছো। মাননীয় সদস্য বলভদ্ৰ দাস ডাঙৰীয়াই পুলিচ বিভাগৰ জৰুৰীকালীন অৱস্থাত আমাৰ ইচ্ছামতে ব্যৱহাৰ কৰাৰ কথা কৈছে কিন্তু এইটো ঠিক যে এতিয়া যদিও জনতা পাটিৰ চৰকাৰ আছে তেওঁলোকেও প্ৰসাসনিয় অসুবিধাৰ সময়ত পুলিচ বিভাগক কামত খটুৱাব লাগিব।

বৰা ডাঙৰীয়া আৰু দাস ডাঙৰীয়াই শান্তি শৃংখলাৰ কথা কৈছে। তেখেত সকলৰ কাৰণে উচ্চ পৰ্য্যয়ৰ চিকিৎসা আৰু থকা মিলাৰ ব্যৱস্থাৰ কথা কোৱা হৈছিল তথাপিতো তেখেত সকলে উত্থাপন কৰা অভিযোগ কেইটা তদন্ত কৰি চাম। ইয়াৰ উপৰিও তেখেত সকলৰ হাতত থকা নথি পত্ৰ সমূহ আমাৰ হাতত দিলে সেই বিলাকো নিশ্চয় তদন্ত কৰি চাম। মাননীয় সদস্য পিটসিং কোঁৱৰ ডাঙৰীয়াই কেইটা মান কথা কৈছে। তেখেতে অৱশ্যে গতানুগতিক ভাবেই কৈছিল। অৱশ্যে জৰুৰী অৱস্থাৰ আগতে পুলিচ বিভাগ ভাল বুলিয়েই কৈছিল। এতিয়া কৈছে কওক। লাহৰিঘাট থানাৰ এটা কেচৰ কথা কৈছে। সেইটো খবৰ পাইছো। ১৯৭৬ চনৰ শেষৰ ফালে থানালৈ আহিছে।

শ্ৰীপিটসিং কোঁৱৰ :— এটা নহয়। কেইবাটাও।

শ্ৰীহিতেশ্বৰ শইকীয়া :— চাৰিটানে কি ?

শ্ৰীপিটসিং কোঁৱৰ :— বহু কেইটা। গোটেই কেইটা জমা হৈ আছে।

শ্ৰীহিতেশ্বৰ শইকীয়া :— এইটো মই মাননীয় সদস্যই কলে খবৰ কৰি চাব পাৰিম।

উপাধ্যক্ষ মহোদয় সদনত পুলিচৰ কথা কৰি শিৱসাগৰৰ কথা কেইবাবাৰো কোৱা হৈছে। ১৯৭২ চনত বিশ্ববিদ্যালয়ৰ মাধ্যম সংক্ৰান্তত অসমত এটা আন্দোলন হৈছিল। ১৯৬০ চনতো অসমত ৰাজ্যিক ভাষাৰ সংক্ৰান্ততো একেই ধৰণৰ আন্দোলন হৈছিল। মাননীয় সদস্য সকলে নিশ্চয় মোৰ লগত একমত হব যে ১৯৬০ চনৰ আৰু ১৯৭২

চনৰ আন্দোলনৰ ভয়াবহতা তুলনা কৰি চালে ১৯৭২ চনত হোৱা ক্ষতি ১৯৬০ চনত হোৱা ক্ষতিতকৈ বহুত কম। ১৯৬০ চনত গোটেই অসমতে কাৰ্ফিউ দিবলগীয়া হৈছিল শিৱসাগৰতো কাৰ্ফিউ দিছিল। ১৯৭২ চনত এই মাধ্যম আন্দোলনৰ সংক্ৰান্তত শিৱসাগৰত কাৰ্ফিউ নালাগে ১৪৪ ধাৰা জাৰি কৰা হোৱা নাছিল। ১৯৬০ চনত শিৱসাগৰৰ প্ৰায়-বিলাক অঞ্চলতে ভাষিক সংখ্যালঘূসকলৰ বিপুৰ ক্ষতি হৈছিল। ১৯৭২ চনত তেনে কোনো অশান্তি হোৱা নাছিল। মই এই উদাহৰণতো দি এইটোৱেই কব খুজিছো যে আইন শৃংখলাৰ নিয়ন্ত্ৰনৰ দিশটো প্ৰথমৰ পৰাই অতি সাৱধানেৰে বলৱত্ কৰাৰ বাবেই ৰাজ্যখনত ১৯৭২ চনত এই আন্দোলনে হিংসাত্মক ভাবে ব্যাপক ৰূপ মাৰ কৰিব নোৱাৰিলে। ১৯৭৪ চনত খাদ্যবস্তুৰ মূল্য বৃদ্ধিৰ সংক্ৰান্তত অসমত এটা আন্দোলন হৈছিল। শিৱসাগৰতো হৈছিল। এই আন্দোলনৰ অজুহাততেই কেইজনমান উদণ্ড ডেকাই ছাত্ৰৰ নামত এক হিংসাত্মক পৰিবেশসৃষ্টি কৰিছিল। পুলিচৰ এখন ট্ৰাক জলাই দিছিল। অনা অসমীয়া ব্যৱসায়ী সকলৰ ঘৰলৈ গৈ বলপূৰ্ব্বক টকা সংগ্ৰহ, কাপোৰ সংগ্ৰহ, আৰু নানা ধৰণৰ ভীতি প্ৰদৰ্শন কৰিছিল। মহকুমা কৰ্তৃপক্ষক ১৪৪ ধাৰা জাৰি কৰিবলৈ অৱস্থাই বাধ্য কৰিলে। নগৰত থকা কম সংখ্যক কনিষ্ঠ বলৰ ওপৰত যেতিয়া পোনপতিয়া আক্ৰমন চলালে তেতিয়া পুলিচে লাঠি চাৰ্জ আৰু গুলি চালনা কৰাটো বাধ্য হ'ল। অধ্যক্ষ মহোদয়, মই ইয়াতে উল্লেখ কৰিব খুজিছো যে এই বিধান সভাৰ মাননীয় কোন কোন সদস্যই পুলিচে কৰা লাঠি চাৰ্জ আৰু ফায়াৰিংৰ কাৰণে পুলিচক যোগাযোগ কৰে। কিন্তু আপুনি জানে যে পুলিচে নিজে লাঠি চাৰ্জ বা ফায়াৰিং কৰিব নোৱাৰে মেজিষ্টেটৰ হুকুম লাগে। অন্য প্ৰকাৰে কবলৈ গলে পুলিচৰ দায়িত্বপালন প্ৰভূভক্ত দাসৰ দৰে।

যেতিয়া অৱস্থা নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় তাৰ লগে লগে নানা ধৰণৰ অশান্তিৰ সৃষ্টি হয় তেতিয়া মেজিষ্টেটে এনে হুকুম দিবলৈ বাধ্য হয়। পুলিচৰ অতিশয্য কথাষাৰ সেয়ে ইয়াত নাখাতে।

অধ্যক্ষ ডাঙৰীয়া, সেয়ে মই এই সংক্ৰান্তত ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমোৰাৰজী দেশাইৰ দি ষ্টৰি অৱ মাই লাইফৰ কেইটামান উদ্ধৃতি দিব খুজিছো। তেখেত বোম্বাই প্ৰেচিডেঞ্চিৰ গৃহমন্ত্ৰী হৈ থাকোতে অমলনাৰ নগৰত এটা পুলিচ ফায়াৰিংত ন জন মানুহৰ মৃত্যু হৈছিল। এই ভায়াৰিঙৰ সংক্ৰান্তত আনকি মহাৰাষ্ট প্ৰদেশ কংগ্ৰেছ সমিতিয়ে জুডিচিয়েল এংকুৱেৰিৰ বাবে দাবি জনাইছিল। আনকি প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহেৰু আৰু উপপ্ৰধান মন্ত্ৰী চদাৰ বল্লব ভাই পেটেলেও তেনে এটা এংকুৱেৰি হব লাগে বুলি সমৰ্থন জনাইছিল। তেতিয়া ভাৰতৰ উপপ্ৰধানমন্ত্ৰী বল্লভভাই পেটেলে এটা জুডিচিয়েল এংকুৱেৰী হব লাগে বুলি লিখিলে। মোৰাৰজী দেশায়ে পদত্যাগ দিব বিচাৰিলে। অৱশেষত জুডিচিয়েল এংকুৱেৰী নহল। কাৰণ তেখেতৰ মতে " If the police become demoralised it would be slmost impossible to control such disturbances. I therefore, refuse to take any further action in the matter "

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—উপাধ্যক্ষ মহোদয়, এটা স্পষ্টীকৰণ বিচাৰিছো। পুলিচে লাঠি চালনা বা গুলি চালনা বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিত কৰিছিল কিন্তু তাকে মোৰাৰজী দেশাইৰ সময়ত এসময়ত গুলি চলালে বুলিয়েই যে পুলিচে লাঠি চালনা কৰিব সেইটো যুক্তিযুক্ত বুলি ভাবিব পাৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— নহয় চাৰ।

শ্ৰীসোনেশ্বৰ বৰা :— যিহেতু মোৰাৰজী দেশাই এতিয়া জনতা পাৰ্টিৰ চৰকাৰৰ প্ৰধানমন্ত্ৰী সেই কাৰণে জনতা পাৰ্টিৰ চৰকাৰক জগৰীয়া বুলি জানিবলৈ এটা ৰাজনৈতিক অভিসন্ধি কৰা হোৱা নাইনে ?

Sri Sarat Chandra Sinha :—Sir, it is in the context of the situation.

শ্ৰীহিতেশ্বৰ শইকীয়া :— মই ইন্দিৰা গান্ধীক কোট কৰিব পাৰিলোহেতেন কিন্তু সেইটো হয়তো স্বীকাৰ কৰিব নোৱাৰি ।

শ্ৰীসোনেশ্বৰ বৰা :— তেতিয়াৰ মোৰাৰজী দেশাইৰ বিকৃতি বুলি কলে দিগদাৰ নাই, কিন্তু এতিয়াৰ মোৰাৰজী দেশাই আৰু তেতিয়াৰ দেশাই ৰ লগত মাহীৰ পুৱে পেহীৰ পুৱে একে লগ কৰি কোৱাত ৰাজনৈতিক কাৰণ আছে বুলি আমি ধৰি লৈছো ।

শ্ৰীহিতেশ্বৰ শইকীয়া :- সেই ভাবি মই কোৱা নাই চাৰ ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : - এটা বিশেষ পৰিস্থিতিত পুলিচে গুলি চালনা কৰিব পাৰে মই অস্বিকাৰ নকৰো । কিন্তু এই কথাটো সদনত পতিয়ন নিয়াবৰ কাৰণে বাস্তৱ কথাটো কব যাৰ পৰা উদ্ধৃতি দিলেই যে সেইসকলে গুলি চালনা কৰাত অযুক্তি আছিল সেই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিলো ।

শ্ৰীহিতেশ্বৰ শইকীয়া :—সেইটো মোৰ উদ্দেশ্য নহয় কিন্তু আজি আমি ক্ষুদ্ৰ মানুহ সেই কাৰণে আমাৰ কথা গ্ৰহণ নকৰে আৰু সেই বাবেই ডাঙৰ মানুহৰ উদ্ধৃতি দিছো ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—১৯৭৪ চনৰ ৭ জুন তাৰিখে শিৱসাগৰত যি গুলি চালনা কৰা হৈছিল তাত হাকিমৰ পৰা অনুমতি লোৱা হৈছিল নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া :—উপাধ্যক্ষ মহোদয়, সাধাৰণতে হাকিমৰ পৰা অনুমতি লোৱা হয়, আৰু সেই পৰিস্থিতি লোৱা হৈছিল।

শ্ৰীসোনেশ্বৰ বৰা :—তেনেকুৱা ক্ষেত্ৰত কিছুমান ফৰ্ম ছপা কৰা থাকে গতিকে পিচত বেক দেট দি হাকিমৰ পৰা হুকুম লোৱা হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া :— তেনে কৰিলে হাকিমৰ ভয় নাথাকিব জানো ।

শ্ৰী সোনেশ্বৰ বৰা :—তেনেকুৱা কত হৈ আছে ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— মই আৰম্ভ কৰোঁ। আনকি ভাষাৰ ভিত্তিত ৰাজ্য পতাৰ সংক্ৰান্তত যেতিয়া আন্দোলন হৈছিল তেতিয়া আজিৰ প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাই বম্বেৰ প্ৰেচিডেন্সিৰ মুখ্য মন্ত্ৰী আছিল আইন শৃংখলা নিয়ন্ত্ৰনৰ বাবেই তেখেতে "চুট এট চাইট" আদেশ দিছিল আশীজন মহাৰাষ্ট্ৰীয় লোকৰ মৃত্যু হৈছিল, বহুত কেইজন ডেকা গুজৰাটীৰ আহমদাবাদত মৃত্যু ঘটিছিল । এই বাৰো তেখেতে জুদিচিয়েল এনকোৱাৰি নাকচ কৰিছিল আৰু এই আন্দোলনত যিসকলে মৃত্যু বৰণ কৰিছিল সেই সকলক শ্বহীদ বুলি ঘোষনা কৰা নাছিল । তেখেতে লিখিছে যে 'They considered the (agitation. The people who took part in riots as martyr instead of holding them responsible for the rioting, I cannot consider people resorting to

violent action of this kind as mortyrs as it is against the tradition and principles of democrancy. That nobody should try to get anything by violent action: The police have to fire and kill some people for the protection of the genaral public. Those killed cannot be said to have performed an aet of national service. In the enquiry I have made into the first riot I was convinced that the police had resorted to firing very properly and legitimately and those who had died had taken part in violent action. I therefore refuse to grant the demand for judicial enquiry and also the request to enquire those who killeed in police firing as martyrs."

অধ্যক্ষ ডাঙৰীয়া, মোৰ ক্ষুদ্ৰ বিবেচনাৰে গনতান্ত্ৰিক ব্যৱস্থাত সংখ্যা গৰিষ্ঠতাৰ জড়িয়তে যিজন লোক ক্ষমতা লৈ আছে সেই সকলে সংখ্যা লঘিষ্ঠ সকলক ৰক্ষণাবেক্ষণ দিয়াতো প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য। সংখ্যা গৰিষ্ঠ সকলৰ কাৰণে বহু সময়ত চৰকাৰৰ প্ৰয়োজন নাথাকে। কাৰণ, নিজেই নিজক চম্ভালিব পাৰে। কিন্তু লঘিষ্ঠ সকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে সদায় এটা চৰকাৰৰ প্ৰয়োজন থাকে। সংখ্যাত তাকৰ কাৰণেই শিৱসাগৰত ১৯৭৪ চনত খাদ্য আন্দোলনৰ সভাত ভাষিক সংখ্যা লঘিষ্ঠ আৰু অন্যান্য অনা অসমীয়া সকলৰ জোৰ-জুলুম কৰি বলপূৰ্ব্বক ভাৱে ধন সংগ্ৰহ কৰিব আৰু ভীতি প্ৰদৰ্শন কৰিব, সেই ক্ষেত্ৰত চৰকাৰ কেতিয়াও নিৰ্বাক হৈ থাকিব নোৱাৰে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত আইন অনুযায়ী ব্যৱস্থা হবই। শৃংখলা ৰক্ষা

কৰাটো জাতিশৰ্য নকয়। ১৯৭৫ চনত পৰীক্ষা বৰ্জন সংক্ৰান্তত যি আন্দোলন হৈছিল সেই আন্দোলনে শিৱসাগৰক স্পৰ্শ কৰা নাই। শিৱসাগৰ মহকুমাত আটাইকেইখন কলেজত বিশেষকৈ নগৰৰ আটাই-কেইখন কলেজৰ আটাই বিলাক ছাত্ৰ-ছাত্ৰীয়েই স্বইচ্ছাৰে পৰীক্ষা দিছিল। এই কেইখন কলেজৰ অধ্যক্ষ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলে আন্তৰিক সহযোগীতা আগবঢ়াইছিল। এই পৰীক্ষা সম্পূৰ্ণ হোৱা দিনাই জৰুৰীকালীন অৱস্থা ঘোষনা কৰিলে আৰু তাৰ পিচত শিৱসাগৰত কোনো ঘটনা ঘটা নাই। অধ্যক্ষ ডাঙৰীয়া সেয়ে দেখা যায় মোৰ কাৰ্য্যকালৰ সময় চোৱাৰ ভিতৰত শিৱসাগৰত মাত্ৰ এবাৰহে লাঠি গুলি চালনা হৈছিল আৰু কিয় হৈছিল তাৰ বৰ্ণনা মই দিছোৱেই। মাননীয় তুই এজন সদস্য ই জৰুৰীকালীন অৱস্থা চলি থাকোতেও শিৱসাগৰত অতিশৰ্য্য হৈছে বুলি কৈছে। এই বিবাদমান বিষয়টো উত্তৰ মই নিজে নিদি এতিয়াৰ জনতা পাটিৰ চেয়াৰ-মেন শ্ৰীগোলাপ বৰবৰাই জেলৰ পৰা মোলৈ দিয়া এখন চিঠিৰ এটা লাইন উদ্ধৃতি দিব খুজিছো— "কিন্তু বৰ চকুত লগাকৈ আপোনাৰ নিজৰ জিলা শিৱসাগৰত ৰাজনৈতিক আতক বন্দিৰ সংখ্যা নিচেই নগন্য"। ..... সেই জিলাখনক বিৰোধী ৰাজনৈতিক কৰ্মী নায়েই নেকি ? —নে আপুনি শিৰসাগৰ জিলাখন ৰাজনীতিৰ ক্ষেত্ৰত শান্তি বুলি প্ৰমান কৰিব খুজিছে ?

এতিয়া মই ইমাৰজেন্সি একচেচৰ কথালৈ .. ....—

শ্ৰীসোনেশ্বৰ বৰা :— তাৰ দৰ্শনটো কি বুজিলে ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— এতিয়া মই ইমাৰজেন্সি একচেচৰ কথাটো আহিব খুজিছো। অভিযোগ আহিছে যে অসমতো ইমাৰজেন্সি একচেচ

হৈছে। কেন্দ্ৰ চৰকাৰৰ গৃহ মন্ত্ৰীয়ে ইমাৰজেন্সি একচেচ সংক্ৰান্তত এটা কমিচন গঠন কৰিছে। এই কমিচনৰ মতামতটোকেই আমি সকলোৱেই চুড়ান্ত মতামত বুলি গ্ৰহন কৰিবলৈ লাগিব। সেয়ে হলেও এই সদনত যেতিয়া কেতবোৰ অভিযোগ আহিছে তাৰ উত্তৰ মই দিবই লাগিব। অধ্যক্ষ ডাঙৰীয়া, আপুনি জানে যে ১৯৭১ চনত প্ৰথম মিচা আইনখন প্ৰব্ৰৰ্ত্তন হৈছিল আৰু সেই ১৯৭১ চনৰ মিচা আইনৰ জৰিয়তে ১৯৭১ চনৰ পৰা জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ আগদিনা অৰ্থাৎ ১৯৭৫ চনৰ ২৫ জুনলৈকে বন্দী কৰা লোকৰ সংখ্যা হৈছে ৩৬৬। জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ পিচত মিচা আইনৰ যি সংশোধন কৰা হল (১৬ ক) সেই আইন মতে বন্দী কৰা লোকৰ সংখ্যা হৈছে ৩৮৩ আৰু এই আইনৰ জড়িয়তে সমগ্ৰ ভাৰতৰ বন্দী কৰা লোকৰ সংখ্যা হৈছে ২৮৩৮৬। যিখন ৰাজ্যত আইন অমানা কৰাৰ কাৰণেই জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ আগতেও ৩৬৬ জন লোকক বন্দী কৰা হৈছিল সেইখন ৰাজ্যত জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ পিচত ৩৮৩ জন লোক এৰেষ্ট কৰাটো একচেচ বুলি মই নাভাবো। তাৰ উপৰিও জৰুৰীকালীন অৱস্তাত বন্দী কৰা বেছি ভাগ লোকৰেই গ্ৰেপ্তাৰী নিৰ্দেশ কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছিল। আনকি মাননীয় বিধান সভাৰ সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱা আৰু শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীক গ্ৰেপ্তাৰ কৰা কথাটো আমাক গ্ৰেপ্তাৰ কৰাৰ পিচদিনাহে জনাইছিল। এই আইনৰ জৰিয়তে যিসকল লোকক গ্ৰেপ্তাৰ কৰা হৈছিল সেইসকলৰ কেতবোৰৰ নিৰ্দেশ পোনপতিয়াকৈ আছিল। কেতবোৰৰ ক্ষেত্ৰত প্ৰাইমৰ এপ্ৰভেল আৰু কেতবোৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন আছিল। অধ্যক্ষ ডাঙৰীয়া, জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ আগতে মাজে সময়ে ৰাজ্যিক গৃহ মন্ত্ৰী সকলৰ

লগত কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ সভা সমিতি বহে। কিন্তু জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ পিচত কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ৰাজ্যিক চৰকাৰৰ গৃহ মন্ত্ৰী সকলক কোনো সভালৈ মতা নাছিল। বৰংশ্চ বিষয়া সকলক হে সঘনে মাতি নি দিহা পৰামৰ্শ দিছিল আৰু তেওঁলোকে সেইমতে কৰ্তব্য পালন কৰিবলৈ বাধ্য হৈছিল।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় সদস্য সকলক কব খুজিছো যে এই সংক্ৰান্তত মই আৰু তথ্যপাতি এতিয়াও ব্যক্ত কৰিব নোৱাৰা অৱস্থাত আছো তিনিটা কাৰণত প্ৰথমতে—

কমিচন অব এনকুৱাৰীয়ে এ গোটেই কথা বিলাক স্বীকাৰ কৰিব। দ্বিতীয়তে মন্ত্ৰী হোৱাৰ সময়ত যি গোপনীয়তাত শপত গ্ৰহণ কৰিছিলো সেই গোপনীয়তা ৰক্ষা কৰিব লাগিব, তৃতীয়তে কোনো কোনোৱে কব যে এই কথা বিলাক কৈ মই মোৰ দোষটো আনৰ ওপৰত দিব বিচাৰিছো। সেয়ে মই সদনৰ সদস্য সকলক কব খুজিছো যে মই এই সংক্ৰান্তত ইয়াতকৈ বেচি কথা ব্যক্ত কৰিব নোৱাৰো। তাৰোপৰি যিহেতু কমিচন অৱ এনকুৱাৰীয়ে এটা এনেকুৱাৰী কৰিবই, এই বিষয়টোৰ ওপৰত মই এতিয়া যুক্তি তৰ্কৰ অবতাৰণা কৰিব বিচৰা নাই। কিন্তু এটা কথা মই কও যে আমি সমত একচেচ্ কৰা হলে আমাৰ অসমৰ অৱস্থা ভাৰতৰ অন্য ৯ খন ৰাষ্ট্ৰৰ অৱস্থা হয়তো হলহেতেন। ইতিপুৰ্ব্বে অৱশ্যে মাননীয় সদস্য সকলে যি কেইজন ৰাজনৈতিক বন্দীৰ ওপৰত একচেচ্ কৰাৰ কথা উল্লেখ কৰিছে সেই সম্পৰ্কে আমি তদন্ত কৰাৰ ব্যৱস্থা লৈছো। এই বিষয়টো শেষ কৰাৰ আগতে মই পুনৰ শ্ৰীসোনেশ্বৰ বৰাৰ কথা উল্লেখ কৰিব খুজিছো। জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ কেইমাহ মানৰ পাচতে এই বিধান সভাৰ মজিয়াতেই

শ্ৰীবৰা ডাঙৰীয়াই কৈছিল যে অলপতে এজন মন্ত্ৰীয়ে গোলঘোটলৈ গৈ এখন সভাত কৈছে যে জৰুৰীকালীন অৱস্থাৰ কাকো ৰক্ষা কৰিব নোৱাৰে যদি দেশৰ দুখীয়া ৰাইজৰ কাৰণে কাম নকৰে। জৰুৰী কালীন অৱস্থা চলি থকা কাৰণে হয়তো তেখেতে, এইবাৰ মোৰ নাম যিমান উল্লেখ কৰিছে, সেইবাৰ কৰা নাছিল। উপাধ্যক্ষ ডাঙৰীয়া সেই সভা খনত মই এনেদৰে কৈছিলো-আমাৰ কৰ্মী সকলে ভাবিব নালাগে যে জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ উদ্দেশ্য আমাক বিৰোধীতা কৰা লোক সকলক বন্দী কৰা, জৰুৰীকালীন অৱস্থাই কোনো চৰকাৰকেই ৰাখিব পৰা নাই। ইন্দোনেচিয়াৰ প্ৰেচিডেণ্ট সুকৰ্ণৰ পতন ঘটিছিল জৰুৰীকালীন অৱস্থা চলি থকাৰ ফলত, প্ৰেচিডেণ্ট ইয়াহাখানৰ পতন ঘটিছিল জৰুৰীকালীন চলি থকাৰ সময়ত, স্বেখ মুজিবৰক হত্যা কৰিছিল জৰুৰীকালিন অৱস্থাত বাংলাদেশত চলি থাকোতেই। সেয়ে এতিহাসৰ ছাত্ৰ হিচাবে মই কৰ্মী সকলক তেতিয়াই কৈছিলো এই দৃষ্টান্তবোৰ দাঙি ধৰি যে জৰুৰী কালীন অৱস্থাই আমাক ৰক্ষা কৰিব নোৱাৰিব যদিহে আমি ৰাইজৰ হকে কাম নকৰো।

* শ্ৰীসোনেশ্বৰ বৰা :— অসমত যদি অত্যাচাৰ কৰিলেহেতেন তেন্তে ভাৰতৰ অন্যান্য ৯ খন ৰাজ্যত যে একচেচ্ হৈছিল তাক মন্ত্ৰী ডাঙৰীয়াই স্বীকৃতি দিছে। পৃথিবীৰ অন্যান্য দেশ যিহেতু জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত পতন হৈছে আৰু কংগ্ৰেছৰ জৰুৰী অৱস্থাৰ পতন হৈছে সেই একেটা কাৰণতে, সেই কথাটো নিৰ্ঘাত সত্য বুলি মন্ত্ৰী ডাঙৰীয়াই কৈছে।

* Speecd not corrected

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— সেই দৃষ্টিকোনৰ পৰা কোৱা নাই । যি বিলাক অভিযোগ উত্থাপিত হৈছে সেই সন্দৰ্ভত ।

* শ্ৰীহিতেশ্বৰ শইকীয়া :—উপাধ্যক্ষ মহোদয়, মোৰ বিৰুদ্ধে আন এটা অভিযোগ উঠিছে যে আৰক্ষী বিভাগত মই সাম্প্ৰদায়িকতা কৰিছো। এই কথাষাৰ হৈছে আজি মোৰ কাৰণে ভাগ্যৰ বিৰম্বনা। কলেজ আৰু বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে মই অ, বি, চি কলাৰচিপ লোৱা নাছিলো এটা কাৰণ দৰ্শাই যে মই জাতিভেদত বিশ্বাস নকৰো। উল্লেখযোগ্য যে মই তেতিয়া ইয়ং চাউয়েলিষ্টত আছিলো। ১৯৬০ চনত যেতিয়া মই নাজিৰা পৌৰ সভাৰ নিৰ্ব্বাচনত ধৰ্ম্ম নিৰপেক্ষতা খাতিৰত নাজিৰা পৌৰ সভাৰ সভাপতি মোৰ সম্বন্ধীয় ভিনিহীদেউৰ বিৰূদ্ধে ঠিয় দিয়াৰ বাবে ঘৰৰ পৰা খেদা খাইছিলো আৰু শ্ৰীদেবেন বেজবৰুৱাৰ ঘৰত আশ্ৰয় লৈছিলো। ১৯৬৮ চনত যেতিয়া টাই আহোম পৰিষদ গঠন হল (এতিয়া, উজনি অসম ৰাজ্য পৰিষদ) গড়গাওঁ কলেজৰ আটাই কেইজন অধ্যাপকেই টাই আহোম পৰিষদত যোগ দিলে, মই অকলে কংগ্ৰেছত থাকি কি যন্ত্ৰনা ভুগিলো তাক কোনে বুজিব। ১৯৭২ চনৰ নিৰ্ব্বাচনত এই তাই আহোম পৰিষদৰ প্ৰাৰ্থীয়ে মোক প্ৰতিদ্বন্দিতা কৰিছিল। ব্যক্তিগত ভাবে যি জন লোকে বাল্য জীৱনৰ পৰা এতিয়ালৈকে স্থানীয় ঠাইতে সম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুজ দি আহিছে সেই জন আজি হল সম্প্ৰদায়িক। সেয়ে মই কব খুজিছো যে এয়া মোৰ ভাগ্যৰ বিলম্বনা। অৱশ্যে মোৰ কোনো খেদ নাই। কাৰণ কংগ্ৰেছত থকাৰ কাৰণেই যি ফকৰুদ্দিন চাহাবক এদিন মুছলিম সমাজে সমাজচ্যুত কৰিছিল। সেই ফকৰুদ্দিন চাহাবো অসম মন্ত্ৰী সভাৰ

Speech not corrected

মন্ত্ৰী হৈ থাকোতে তেখেতক সাম্প্ৰদায়িক বুলি আখ্যা দিছিল। তেখেতে আৰু মইনুৰ হক চৌধুৰী অসম মন্ত্ৰী সভাত থাকিলে অসম পাকিস্থানত পৰিণত হব বুলি কৈছিল।'

উপাধ্যক্ষ ডাঙৰীয়া; ব্ৰিচ অব প্ৰিভিলেজ মচন অনাৰ দিনাখন মাননীয় বিভাগীয় সদনৰ দলপতি শ্ৰীগৌৰিশংকৰ ভট্টাচাৰ্য্যই কোৱা কথা এযাবলৈ মনত পৰিছে—তেখেতে কোৱা কথাষাৰ—মন্ত্ৰী হলে ফুলৰ 'মালা লব লাগে আৰু শিল গুটিও খাব লাগে। তেখেতে কোৱা কথা তিনিটালৈ চাই মই প্ৰিভিলেজ মচনটো সেই দিনা উইড্ৰই কৰিব লাগিছিল ব্যক্তিগত হিচাবে মোক কি কলে সেইখিনিৰ গুৰুত্ব নাথকিব পাৰে। কিন্তু মন্ত্ৰী হিচাবে থকা সময়ত সেই ব্যক্তিজন ব্যক্তি হিচাবে হাৰি যাব নোৱাৰে। এজন মন্ত্ৰীৰ বিৰোদ্ধে অভিযোগ আহিব যে তেওঁ নিৰ্ব্বাচনত মদ আৰু টকা বিলোৱা আৰু সেই মন্ত্ৰী জনে সেই কাম কৰি সাৰি যাব সেইটো হব নোৱাৰে। এই ব্ৰিচ অব প্ৰিভিলেজ মচনটোৱে এই মন্ত্ৰী জনৰ বিৰুদ্ধে অনা অভিযোগ বোৰৰ সত্যতাৰ প্ৰমান কৰাৰ সুযোগ দিব আৰু লগতে এই মন্ত্ৰী জনে যদি সচাকৈয়ে এনে অপকাৰ্য্যত লিপ্ত আছিল, তাৰ বাবে শাস্তি দিয়াৰ সুযোগ বিধান সভাক দিব। ভগবানক খাতিছো তেখেতে সেই অভিযোগ বোৰৰ সংক্ৰান্তত অনা নথি পত্ৰবোৰৰ ভাগ্য যেন সেই নথি পত্ৰবোৰৰ দৰে নহয় যিবোৰ নথিপত্ৰৰ জৰিয়তে তেখেতে এদিন তেতিয়াৰ কৃষি মন্ত্ৰী শ্ৰীলক্ষী গোস্বামীৰ বিৰুদ্ধে অভিযোগ আনি নিজেই সদনৰ পৰা চাচপেণ্ড হৈছিল।

উপাধ্যক্ষ মহোদয়, এতিয়া মই কেতবোৰ মোৰ বিৰুদ্ধে অনা ব্যক্তিগত অভিযোগৰ বিষয়ে কব খুজিছো। ব্যক্তিগত ভাকে মই বিধানসভাৰ সদস্য আৰু মন্ত্ৰী হিচাবে যদি কিবা অপকৰ্ম কৰিছো

বা দূর্নীতি কৰিছো তেন্তে তাৰ বাবে তদন্ত হওক। মোৰ কাৰণে দুর্ভাগ্যৰ কথা এইটোৱেই যে এই সদনত মোৰ বিৰোদ্ধে ব্যক্তিগত ভাবে একো নকৈ মোৰ পৰিয়ালৰ যি সকলৰ লগত যোৱা ১৭ বছৰে মোৰ কোনো ঘৰুৱা সম্পৰ্কত নাই সেই সকলৰ কথা সদনত উথাপিত কৰি মোক জগৰীয়া কৰিব খুজিছে। শ্ৰীবৰুৱাই শ্ৰীলীলা শইকীয়াই মাটি লোৱাৰ কথা উল্লেখ কৰিছে। ১৯৬৯ চনত মই এম, এল, এ ও নাছিলো, মন্ত্ৰীও, নাছিলো। ১৯৬৯ চনতে তেওঁক লিজত দিয়া ৩০ বিঘা মাটিৰ কাৰণে মোক আজি জগৰিয়া কৰিছে। অ, এন, জি, চিৰ ভাৰত ট্ৰেষ্টৰ, ৰোল-তজাৰ যিকোনো মানুহকে দিয়ে তাৰ বাবেও মোক জগৰীয়া কৰিব খুজিছে। এটা অনুষ্ঠানে কৰা ব্যৱসায়ত কেনেকৈ মোৰ ক্ষমতাৰ অপব্যৱহাৰ হয়—মই নুবুজো। আপুনি জানে যে উজনি অসমৰ বৃটিছ স্বত্তাধিকাৰী বাগিচা বিলাকত কাম কৰা বনোৱা আৰু কৰ্মচাৰীক খেতি কৰিবলৈ মাটি দিয়ে। সেই অনুপাতে মেকনিল আৰু মেগল লিমিটেডৰ মহথুটি বাগিচাৰ কতৃপক্ষই ১৯৬৯ চনতেই সেই বাগিচাৰ ১০ জন কৰ্মচাৰীক বাগিচাৰ মাটিত লিপ্ত দিছিল। ১৯৬১ চনত মই কলেজত অধ্যাপনাহে কৰিছিলো। মোৰ কোনো ক্ষমতা নাছিল।

উপাধ্যক্ষ ডাঙৰীয়া এই সদনত চি, আই, শইকীয়াৰ কথা উল্লেখ কৰিছে। ১৯৪৮ চনতে চাকৰিত সোমোৱা—এই বিষয়াজনৰ সম্পৰ্কে ১৯৭২ চনলৈকে এই সদনত একো নোলাল। এই সুদীৰ্ঘ ২৪ বছৰ কাল তেওঁ মোৰ বা আন কাৰ অনুগ্ৰ নলোৱাকৈ চাকৰিত আছিল আৰু ইন্স্পেক্টৰলৈকে প্ৰমোচন পাইছিল। মোৰ কাৰ্য্যকালত তেওঁৰ কোনো পদোন্নতি হোৱা নাই। কিন্তু ১৯৭২ চনত মই এই বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহি মন্ত্ৰী হোৱাৰ কাৰণে তেওঁ হঠাতে বেয়া হৈ

গল। শ্ৰীবৰুৱাই কালি তেখেতৰ বিৰুদ্ধে দুটা যশ আৰু ঘৃনণীয় অভিযোগ আনি কৈছে যে মই পদত্যাগ কৰিব লাগে। উপাধ্যক্ষ ডাঙৰীয়া অলপতে এজন ৰাজ্যপালৰ নিজৰ ভতিজাকে এটা বিদেশী শক্তি গোপন তথ্য দিয়াৰ সংক্ৰান্তত এতিয়াও জেলতেই আছে। এই ভতিজাকৰ কাৰ্য্যকলাপৰ কাৰণে এই ৰাজ্যপাল জনক কোনোবাই দোষী কৰিছেনে ? তথাপিও উপাধ্যক্ষ ডাঙৰীয়া—মই পদত্যাগ কৰিম এটা সৰ্ত্তত। শ্ৰীবৰুৱাই তেখেতৰ বিৰুদ্ধে এই যি দুটা অভিযোগ আনিছে সেই অভিযোগ কেইটাও সত্যতা প্ৰমাণিত কৰা ব্যৱস্থা হওক। আমাৰ বিভাগত এনে অভিযোগ আমি এতিয়ালৈকে পোৱা নাই। যদি তেখেতৰ হাতত তেনে অভিযোগ কোনো নথি পত্ৰ আছে সদনত দাখিল কৰক। সত্যতা প্ৰমাণ হলে মই পদত্যাগ কৰিম আৰু প্ৰমাণ নহলে তেখেতে পদত্যাগ কৰিম বুলি প্ৰতিশ্ৰুতি দিয়ক।

উপাধ্যক্ষ ডাঙৰীয়া, নিৰ্ব্বাচন সংক্ৰান্তত শ্ৰীবৰুৱাই মোৰ বিৰুদ্ধে কেতবোৰ অভিযোগ আনিছে। তেখেতে সেই অভিযোগবোৰ মুখ্য সচিব আৰু ইলেকচন কমিচনাৰৰ ওচৰতো দাখিল কৰিছে। হিটলাৰৰ প্ৰচাৰ মন্ত্ৰী গোৱেবলচে কৈছিল— জনসাধাৰণক বিভ্ৰান্ত কৰিবৰ কাৰণে সদায় ডাঙৰ মিছা কথা কোৱা আৰু তাক সদায় কৈ থকা আৰু সেইটোকে সদায় কৈ থাকিব লাগে। তেতিয়া জনসাধাৰণে ভাবিব সেইটো সচঁ। মোৰ ক্ষেত্ৰটো মোৰ ঘৰত ভোটৰ বাকচ পোৱাত গ্ৰেপ্তাৰ কৰাকে আদি কৰি জঘন্য মিছা কথা প্ৰচাৰ কৰিছে। মোৰ পৰিয়ালৰ বিভিন্ন লোকৰ সম্পৰ্কেও মিছা অভিযোগ সদনত উত্থাপিত কৰিছে। এই ক্ষেত্ৰত দেখিছো শ্ৰীবৰুৱাই—গোৱেবলচকো চেৰ পেলালে। আপুনি হয়তো প্ৰশ্ন কৰিব পাৰে যে মোৰ বিৰুদ্ধে কিয় এনে মিছা অভিযোগ আনিছে। মই এটা অপৰাধ কৰিলো আৰু সেই

অপৰাধটো হল মই যোৱা নিৰ্ব্বাচনত কংগ্ৰেছী সদস্য শ্ৰীতৰুণ গগৈক জয়যুক্ত হোৱাত সহায় কৰিলো আৰু শ্ৰীতুল্লাল বৰুৱাক হৰুৱালো। মই ভাবো শ্ৰীতৰুণ গগৈৰ জয়লাভত ৰাইজৰ বৰঙণিহে আটাইতকৈ বেছি। এই খিনিকে কৈ মই সামৰণি মাৰিলোঁ। আৰু যি দুই-চাৰিটা পইণ্ট উল্লেখ কৰিছে তাক ললোঁ। শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই পুলিচ বাহিনীক, জনবাহিনী বনাবলৈ দিয়া পৰামৰ্শ প্ৰসংসনীয়। এই-খিনিকে কৈ কৰ্ত্তন প্ৰস্তাবটো সমুনয়ে উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা :— দুগৰাকী মাননীয় সদস্য এৰেষ্ট হোৱা পিচদিনা ৰাজ্যিক চৰকাৰে গম পালে বুলি কলে বুজিব পৰা নাই। শ্ৰীদেবেশ্বৰ শৰ্ম্মাৰ সম্পৰ্কত অসম চৰকাৰে যে কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিছিল।

* Dr. Rabindra kumar Gosawmi :— Mr. Deputy Spaker, sir, I rise on a point of clarification. The Hon'ble Home Minister has misunderstood me on one point which I raised yesterday. Sir, I do not say that the D. I. G. (S. B.) has constructed residence of his oun at Dispur or Gauhati. He night have one at Delhi. That is a differeot thing. What I said was that funds meant for low-paid presonnel were diverted to construct re,idential buildings for top high-paid officer.s In that connection I did say—not be-ing content with the diverstion of founds formxnendy

*Speech not corrected

the needy to the offluent section of the force, frequent changes were made in the oxterior and the interior of the buldings to suit the varying mood and tasles of the occupauts and their spouses. Here I mentioned that a residential concrete full wall costing more then Rs. 54,000/— was constructed around a residential quarter of D. I, G. (S. B). When there is dearth of founds to provied housing facilities to low-paid employees, why such a big amount should have been spent on constructing such kind of wall ? Only in that context I raised this matter to cite it as on instance.

শ্ৰীহিতেশ্বৰ শইকীয়া :— ড: গোস্বামী ডাঙৰীয়াই যি ওৱালৰ কথা কৈছে সেইটো মই চাব লাগিব। বাকী কথাখিনি মই পিচত জনাব পাৰিম। শ্ৰীপ্ৰেম ধৰ ডাঙৰীয়াই কোৱা কথাটো এনেকুৱা জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত যিবিলাক লোক সমিতি কৰা হৈছিল সেইবিলাক কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি সিদ্ধান্ত কৰিছিল। যি কি নহক আমাৰ ফালৰ পৰা যি কোনো বা যিখিনি গম পাইছিলো সেইখিনি সদনত তেনেকৈয়ে কৈছিলো। শ্ৰীশৰ্মা ডাঙৰীয়াৰ সম্পৰ্কত তথ্য-পাতি এতিয়া প্ৰকাশ কৰাত কিছু অসুবিধা আছে। এইবিলাক হলে আপোনালোকে গম পাবই।

Mr. Deputy Speaker :— I put the Cut Motions relating grants Nos. 17, 22, and 24.

(Grants passed by voice vote)

Now the Chief Minister will make a statement.

* Shri Sarat Chandra Sinha :— Mr. Deputy Speaker, Sir, the House will recall my statement of 5th April, 1977 announcing certain decisions relating to Dearness Allowance, including arrears, payable to State Govt. empleyees. It was also stated that for the balance sum claimed on account of arrears by such employees, the matter would be taken up with the Central Govt. This was done immediately there after and was discussed both with the Central Ministers and the Ministries concerned. While we have not received any reply from the Central Govt. the State Govt. were informed that it would not be possiple for the Central Govt. to give financial assistance to meet such claims and that necessary adjustments would have to be made in the State Plan in the event of any reduction in the amount of the State contri bution which had earlier been committed. The State Govt. have accordingly further considered the matter and come to the following decisions.

Speech not corrected

2: The State Govt: having already accepted the Pay Comissions recommendations are committed to the payment of the Dearness Allowance on the basis of the formula recommended by it. On this basis the arrear claims have been worked out as Rs.47. 67 crores: Already in the earlier statement made on 5th April, 1977 Govt. had announced its decision to neutralise 324 points of the index from 1.7.75. On this basis the liability of Rs, 12.58 crores against the arrear claims had been accepted by the Govt. It is now proposed to meet the balance of the liability of the order of Rs. 35.09 crores. It has been decided that apart from the sum of Rs. 17·78 crores inclusive of Rs: 12.58 crores stated earlier a further sum of the order of Rs. 11 crores would also be paid this year on account of the arrear claims, This would have affect of neturalising 324 points from 1.7.74. In addition, the balance sum of about Rs. 24 crores which approximatety represents the arrears accumulated for period from 1.7.74 to 8.2.77 shall be paid in 3 equal instalments eover the next 3 years. For this purpose a fund shall be areated, or suitable action taken to ensure that this amount is set aside for payment against this commitment over the next 3 years and

that such payments are made to State Govt. empley-ees annually, for the next financial year. The above decision would therefore, invelve a payment of about Rs. 29 crores during this financial year including the some of 17.78 crores announced earlier and the payment of three annual instalments of about Rs. 8 crores annually from the next finacial years.

3. It is inevitable that, consequent on the full claims of the State Govt. employees being met on the above basis, some adjustment would be necessary in the State Plan for this year, as also subsequently. It is hoped, however, that despite such adjustment, the crore and critical sentors of the State Plan may still be able to be maintained though with great difficulty as our plan contribution would be reduced by Rs. 11 creres. It must be stressed that if the payment of the full arrear claims of about Rs. 47.7 crores is made at a time now this would inevitably deprive the people of the State the basic economic and developmental benefits flowing from the State Plan. I am sure that this entire House would like to ensure that, while meeting the full aspirations and demand of the State Govt. empleyees, the State Plan is not cut to such an extent that it would cease to have impact or significance

as would unavoidably take place if the entire sum of Rs. 47.7 crores is paid on one stage.

4. I am confident that this decision will be welcomed by all sections of the House as also by the state Govt. empleyees and the people of the State. It is only fair to the Govt. employees that they should receive what they are enttiled to. At the some time, through this decision, I hope that it will be possible for the Govt. to sustain a development plan of reasonable dimensions.

5. In view of this decision of Govt. I earnestly hope and appeal to all our employees for their full and sincere co-operation to ensure that the development programmes of the State can now go ahead with utmost speed and efficiency, so that all section can fully play their legitimate part in impoving the conditions of the people of this State.

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ— মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো। তেখেতে যিটো ষ্টেটমেন দিছে। সেই অনুসৰি যিখিনি টকা আমাৰ বিষয়া-কৰ্মচাৰী সকলক দিব খুজিছে সেইটো কেচ টকা পাব নে আৰু ব্যক্তিগত ভাৱে কোনে কেনেকৈ টকা পাব। এই কথা এই কাৰণেই উঠিছে যে আমাৰ চৰকাৰে এটা ষ্টেটমেন

দিছিলে যে আমাৰ বিষয়া কৰ্মচাৰী সকলে কিমান টকা পাব। কিন্তু সেইটো ষ্টেটমেণ্ট সত্য নহয় বুলি বাতৰি কাকতত লিখিছিলে সেইকাৰণে জানিব বিচাৰিছো কোনা বিষয়াই কিমান টকা পাব আৰু এই টকা পোনপোটিয়া ভাৱে পাবনে সেইটো জনালে ভাল হয়।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— উপাধ্যক্ষ মহোদয়, যি সকল কৰ্মচাৰীয়ে ৩০০ শ টকাকৈ দৰমহা পায় সেই সকল কৰ্মচাৰী মৰগীয়া বানচ যি ধৰণে ঘোষণা কৰা হৈছে সেই মতে ৩০০ টকাকৈ দৰমহা পোৱা কৰ্মচাৰী সকলে ১৮৬৭ টকা পাব। তাৰ ভিতৰত ৮৬৭ টকা এতিয়াই পাব বাকী ১০০০ টকা তিনিটা কিস্তিত পিচত পাব। ৩০০ টকাৰ পৰা ৯০০ টকালৈ দৰমহা পোৱা কৰ্মচাৰী সকলে ৩,৭৬৫ টকা তাৰ ভিতৰত এতিয়াই পাব ১৯৬৫ টকা আৰু বাকী ১৮০০ টকা তিনিটা কিস্তিত পাব। যিসকলে ৯০০ ৰ পৰা ১৬০০ টকালৈ দৰমহা পায় তেখেত-সকলে ৪,৩৬৬ টকা পাব তাৰ ভিতৰত ২১০০ টকা এতিয়াই পাব আৰু ২২৬৬ টকা তিনিটা কিস্তিত পাব। যিসকলৰ দৰমহা ১৬০০ ৰ পৰা ২১০০ লৈ তেওঁলোকে পাব ৫,০০০ টকা তাৰ ভিতৰত ৩,০০০ এতিয়াই পাব আৰু ২,০০০ টকা তিনিটা কিস্তিত পাব। এইটো গড় হিচাবে কোৱা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়, এটা স্পষ্টীকৰণ বিচাৰিব খুজিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো চাৰ্ট গাই দিলে সেইটো মাননীয় সদস্য সকলে বুজাৰ কাৰণে—কিন্তু আৰু এটা কথা জানিব বিচাৰিছো যে এতিয়া যিটো এডিচনেল এলাওৱেন্স দিব এইটোত — কম্পালচৰী ডেপজিট স্কীম এপ্লিকেবুল হৰনে নহয়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— চাৰ, টু এইটো কম্পালচৰী ডেপজিট স্কীমৰ

আইন আছে। সেই আইন মতেহে হব।

শ্ৰীমৌলানা আব্দুল জেলিল চৌধুৰী :— এই টকাখিনি দিয়াৰ বাবে বস্তুৰ দাম বাঢ়িবনে নাবাঢ়ে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— অৰ্থনীতিবিদ সকলে তাকেই কয়—এনেকুৱা টকা বজাৰত মেলি দিলেই বস্তুৰ দাম বাঢ়িব।

Shri Bishnu Prasad :— Sir, under Rule 45 of the Rules of procedure and Conduct of Business in the Assam Legislative Assemly I call the attention of the Minister, Industers to the news-item appearing in the Dainik Asom, dated 8th April, 1977 under the caption- "আমোল তান্ত্ৰিক দক্ষতা হীনতাৰ ফলত থলুৱা নবীন উদ্যোগী বিপন্ন"।

* Shri Chatrasing Teron :— Sir, Government alloted 12 bighas of land covered by Dag No. 10,11 (KHA), 84 and 381 of Bonds village in Beltola mouza to M/s. Mrdeon Bakeries on realisation of premium at the rate of 75% of market value fixed per bigha M/s. Modern Bakeries (India) Ltd. (A Govt. of India Undertaking) did not like to set up their Bakery Unit in this plot of land.

There was great demand for developed land

* Speech not corrected

including built-in sheds from the local entrepreneurs for starting small scale industries in and around Gauhati. At the same time there was acute shortage of such type of developed land and built-insheds suitable for starting small scale industries in Gauhati or nearby places. Since the land at Bondas village is found to be very suitable for industrial purpose the Director of Industries felt, the same should be developed under he the Growth Centers scheme and some small scale industries should be set up there. A number of small and medium industries have already come up in and around the propsed site. There were 72 bighes 2 khatas 13 lessa of land in the village Bonda situated in the northern and soothern side of railway lines The Director of Industries requested the Dy. Commissioner, Kamrup to kindly allot minimum 50 bighas of land contiguous to 12 bighas of land allotted in favour of Modern Bakeries (India) Ltd in Bonda village .As per proposal of the Dy. Commissioner, Kamrup Revenue department alloted 24 bighas 1 khata 14 lessa of land to the Industries department for exclusive use in industrial purpose. The Director of Industries requested the Dy. commissioner, kamrup to kindly arrange handing over possessing of land to the Industries department after removal of encroachment. District Indus-

tries officer was advised to take over possession of the aforesaid land early. The Director of Industries wrote another D. O. letter to Dy Commissioner vide D. O. letter No. IND. 1/ 6/67, dt. 23.3.77 requesting him to kindly look into the matter personally and have the encroaschment removed as early as possible so that the Department can start development work on the land immediatly as a number of industries which have alrady been granted Bank finances or are in the process of being given Bank finances have approached the Directorate of Industrice for suitable accommodation to set up industries. Considering the great difficulties faced by the entrepreneurs, Secretary, Industries department requested the Dy. Commissioner, Kamrup vide letter No. IND 1/76/70 dt. 6.4.77 to kindly arrange handing over possession of the portion of land which are not under any illegal occupation pending the eviction of the encroaccment from the whole plot of land alloted in favour of Industries department.

মাননীয় উপাধ্যক্ষ :—আপুনি কিবা সুধিব নেকি ?

শ্ৰীসোনেশ্বৰ বৰা :— মই অলপ দিশপুৰৰ বাইজৰ কাৰণে কব বিচাৰিছো -- উপাধ্যক্ষ মহোদয়, 'দিশপুৰ চৰকাৰী হাইস্কুল' নামৰ যিখন হাইস্কুল আছে তাত আমাৰ দিশপুৰৰ সমূহ ৰাজৰ লৰাছোৱালীয়ে এইখন

হাইস্কুলত পঢ়ে। এই হাইস্কুলখন যোৱা ২৬-১-৭৭ তাৰিখে অগ্নিদগ্ধ হৈ সৰহভাগ ভস্মীভূত হয় আৰু বাকী যি এভাগ আছিল সেইখিনিও এই ২১-৪-৭৭ তাৰিখে প্ৰচণ্ড ধুমুহাই উৰাই নিলে। এতিয়া তাত লৰাছোৱালী পঢ়াৰ কোনো সুবিধা নাই। এতিয়া চৰকাৰী হাইস্কুল কাৰণে তাত বাইজে একো কৰিব পৰা নাই। গতিকে এতিয়া লৰা-ছোৱালী ক'ত পঢ়িব ইত্যাদি হুধুৰ-মুধুৰ অৱস্থাত শিক্ষক সকলৰো মহা সমস্যা হৈ পৰিছে- গতিকে এই বিষয়তো অনতি পলমে কিবা এটা দিহা কৰি দিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— এইটোৰ ব্যৱস্থা বৰ্ত্তমান কৰি আছো।

**Mr. Deputy Speaker** :— The House stands adjourned till 10 A. M. on Monday next.

## ADJOURNMENT

The House then rose at 12 noon and stood adjournd till 10 A. M. on Monday, the 2nd May, 1977.

Dated Dispur:
The 29th April, 1977

P. N. Barua
Secretary
Assam Legislative Assebmly